www.newsnextone.com
# e সংবাদ
Sacn to Donate
NEWSNEXTONE.COM
MONDAY, OCTOBER 28, 2024 ■ সোমবাৰ, ১১ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৯৪ Guwahati, Assam ।। মূল্যঃ এটকা

## দুৰ্ঘটনাত নিহত এডিআৰই পৰীক্ষাৰ্থী

ই-সংবাদ, ডিব্ৰুগড়, ২৭ অক্টোবৰঃ আজি অনুষ্ঠিত হোৱা চতুৰ্থ বৰ্গৰ অসম প্ৰত্যক্ষ ২ পৃষ্ঠাত চাওক

**টকাও নালাগে! বেগৰ পৰা উলিয়াই দিলে ২৩ লাখ**

# বেটাৰ হাঁহি চা! গোৱাত ধৰা পৰি হাঁহিলে দীপাংকৰে



ই-সংবাদ, ২৭ অক্টোবৰঃ কেইবাখনো ৰাজ্যৰ আৰক্ষীয়ে বিচাৰি ফুৰা পলাতক দীপাংকৰ বৰ্মনক অৱশেষত দুই ৰাজ্যৰ আৰক্ষীয়ে যুটীয়া অভিযান চলাই গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ডি.বি ষ্টক নামৰ কোম্পানী খুলি মানুহক শেষাংশ ৫ পৃষ্ঠাত



ধৰাৰ নে ধৰা পৰাৰ গৌৰৱ? ধৰা পৰাৰ পিছত অভিযানকাৰী দলৰ সৈতে বন্ধুসুলভ হাঁহি ডিবিৰ!

**আন্তঃগাঁথনি প্ৰকল্প চুক্তিত স্থগিতাদেশ জাৰি আফ্ৰিকান দেশখনৰ আদালতৰ**

# নৰেন্দ্ৰ মোদীৰ মিত্ৰ আদানিক খেদিলে কেনিয়াই!




দিনদিয়েক পূৰ্বে এনেদৰে আদানিৰ বিৰুদ্ধে কঁপি উঠিছিল কেনিয়াৰ আকাশ-বতাহ

নাইৰোবি, ২৭ অক্টোবৰঃ কেনিয়াত তীব্ৰ আৰ্থিক লোকচানৰ সন্মুখীন হৈছে ভাৰতৰ আটাইতকৈ ধনাঢ্য ব্যক্তি গৌতম আদানি নেতৃত্বাধীন আদানি গ্ৰুপ। নাইৰোবিৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ চুক্তিৰ পিছত এইবাৰ কেনিয়াৰ চৰকাৰে আদানিৰ সংস্থাৰ সৈতে সম্পন্ন কৰা শক্তি শেষাংশ ২ পৃষ্ঠাত



## আলফাই ক্ৰিপ্ট'কাৰেন্সি বিচৰা নাই

ই-সংবাদ, ২৭ অক্টোবৰঃ উজনি অসমত আলফা স্বাধীনৰ তৎপৰতা শেষাংশ ৪ পৃষ্ঠাত

## দেৱালীৰ উপহাৰ দিলে চৰকাৰে

ই-সংবাদ, ২৭ অক্টোবৰঃ ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক আজি দিপাৱলীৰ উপহাৰ প্ৰদান কৰিছে ডঃ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে। শেষাংশ ৫ পৃষ্ঠাত

## ইউটিউবৰ ভিডিঅ' চাই চাই চিভিল ছাৰ্ভিচৰ পৰীক্ষাত উত্তীৰ্ণ 'ৰান্ধনিৰ জীয়েক'



ভুৱনেশ্বৰ, ২৭ অক্টোবৰঃ কোচিং চেণ্টাৰত নামভৰ্তি কৰিবলৈ হাতত ধন নাছিল যুৱতীগৰাকীৰ। মাতৃ এগৰাকী অংগনবাড়ী কৰ্মী, পিতৃ হৈছে ৰান্ধনি। চুবুৰী, বিদ্যালয়, কলেজত ছোৱালীজনীৰ চিনাকি আছিল শেষাংশ ৩ পৃষ্ঠাত

## ৰকিবুলক তেজ দিবলৈ সাজু ভূপেন!

### বাদ-বিসম্বাদ বাদ

ই-সংবাদ, ২৭ অক্টোবৰঃ ৰকিবুল হুছেইন আৰু তেওঁৰ পুত্ৰৰ বাবে তেজ দিবলৈ সাজু প্ৰদেশ কংগ্ৰেছৰ সভাপতি শেষাংশ ৩ পৃষ্ঠাত



## মুদ্ৰাস্ফীতিৰ আঁচোৰ! মধ্যবিত্তৰ জেপত নাই জোৰ

মুম্বাই, ২৭ অক্টোবৰঃ ভাৰতত ক্ৰমাগতভাৱে বৃদ্ধি পাইছে অৰ্থনৈতিক সংকট! গ্ৰাহকৰ জেপত ধনৰ অভাৱত ক্ৰমাৎ সংকুচিত হৈ আহিছে বজাৰ। শেহতীয়াকৈ ভাৰতৰ সাম্প্ৰতিক অৰ্থনৈতিক পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰিছে নেচলে ইণ্ডিয়াৰ অধ্যক্ষ সুৰেশ নাৰায়ণেও। তেওঁ কয় যে দেশৰ মধ্যবিত্ত শ্ৰেণী আৰু



গ্ৰাহকৰ আয় স্থবিৰ হৈ পৰাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে বজাৰত। ভাৰতৰ বৰ্তমানৰ অৰ্থনৈতিক পৰিস্থিতিৰ দিশত এয়া শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# নৰেন্দ্ৰ মোদীৰ মিত্ৰ আদানিক

আন্তঃগাঁথনি প্ৰকল্প চুক্তিত স্থগিতাদেশ জাৰি কৰিলে দেশখনৰ আদালতে। অৰ্থনীতিবিদসকলে আশংকা কৰিছে যে আদানী গোটৰ এই আঘাতে ভৱিষ্যতে তেওঁলোকৰ ষ্টকত নেতিবাচক প্ৰভাৱ পেলাব পাৰে। উল্লেখ্য যে, কেনিয়াত বিদ্যুতৰ আন্তঃগাঁথনিৰ অভাৱ এক দীৰ্ঘদিনীয়া সমস্যা। এই অভাৱ পূৰণৰ বাবে কেনিয়া চৰকাৰে আদানি গ্ৰুপৰ সৈতে 'আদানি এনাৰ্জি ছলিউচনছ' নামেৰে শেহতীয়াকৈ এক চুক্তি সম্পন্ন কৰিছিল, য'ত চৰকাৰী মালিকানাধীন বিদ্যুৎ কোম্পানী কেট্ৰাকো আৰু আদানীয়ে যৌথভাৱে এই প্ৰকল্পটো ৰূপায়ণ কৰাৰ কথা আছিল। কেনিয়া চৰকাৰে এই প্ৰকল্পৰ বাবে ৭৩.৬ মিলিয়ন ডলাৰো আবণ্টন দিছিল আদানিৰ কোম্পানীক। অৱশ্যে শেহতীয়াকৈ কেনিয়াৰ আদালতে আদানি আৰু কেট্ৰাকোৰ মাজত হোৱা চুক্তি স্থগিত ৰাখিছে। ফলত দেশৰ বিদ্যুতৰ বিকাশৰ এই পদক্ষেপ এতিয়া স্তব্ধ হৈ পৰিছে। জানিব পৰা মতে, কেনিয়াৰ ল ছ'চাইটিয়ে চুক্তিখনৰ কিছুমান চৰ্ত অসাংবিধানিক বুলি দাবী কৰি এই চুক্তিখনক প্ৰত্যাহ্বান জনাই দাৰস্থ হয় আদালতৰ। তদুপৰি স্থানীয় জনসাধাৰণৰ সৈতে কোনো ধৰণৰ আলোচনা নকৰাকৈয়ে এই চুক্তি সম্পাদিত হোৱা বুলিও ল ছ'চাইটিয়ে দাবী কৰে। ইয়াৰ পিছতে কেনিয়াৰ উচ্চ ন্যায়ালয়ে আদানি আৰু কেট্ৰাকোৰ মাজত হোৱা চুক্তিৰ অগ্ৰগতি গোচৰৰ সমাধান নোহোৱালৈকে এই প্ৰকল্পৰ কাম স্থগিত ৰখাৰ নিৰ্দেশ প্ৰদান কৰে। মন কৰিবলগীয়া যে, শেহতীয়াকৈ নাইৰোবিত হোৱা জোমো কেনিয়াটা আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ চুক্তিতো তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয় আদানি গ্ৰুপ। আদানি এয়াৰপৰ্ট হোল্ডিংছ লিমিটেডে ৩০ বছৰৰ বাবে বিমানবন্দৰটোৰ মালিকীস্বত্ব লাভৰ বাবে চৰকাৰৰ সৈতে চুক্তিবদ্ধ হোৱাৰ পিছতে স্থানীয় বিমান পৰিবহণ শ্ৰমিক সংঘই এই চুক্তিৰ বিৰুদ্ধে প্ৰতিবাদ আৰু ধৰ্মঘটৰ আহ্বান জনায়। এই চুক্তিৰ বিৰোধিতা কৰি শ্ৰমিকসকলে আশংকা প্ৰকাশ কৰে যে যদিহে এই চুক্তি কাৰ্যকৰী হয় তেন্তে বহু কেনিয়া শ্ৰমিকে সংস্থাপন হেৰুৱাবলগীয়া হ'ব আৰু বিদেশী শ্ৰমিকৰ সুযোগ বৃদ্ধি পাব। এই প্ৰতিবাদৰ পৰিপ্ৰেক্ষিততে স্থানীয় আদালতে শেহতীয়াকৈ বিমানবন্দৰৰ চুক্তিত সাময়িকভাৱে স্থগিতাদেশ জাৰি কৰিছে। ইফালে বিশ্ব অৰ্থনীতিবিদসকলৰ মতে চীনৰ গোপন প্ৰভাৱে কেনিয়াত আদানি গ্ৰুপৰ চলি থকা প্ৰকল্পসমূহক লৈ স্থানীয় বিবাদৰ সৃষ্টি কৰিব পাৰে। প্ৰণিধানযোগ্য যে, চীনৰ পৰা ৫০ ট্ৰিলিয়নতকৈ অধিক ধন উচ্চ সুতৰ হাৰত ঋণ লোৱা আছে কেনিয়াৰ। স্থানীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি চীনে এই ঋণৰ সুযোগ লৈ মোম্বাছা বন্দৰৰ দৰে দেশখনৰ মূল সুবিধাসমূহ দখল কৰিব বিচাৰিছে। একাংশ বিশেষজ্ঞই দাবী কৰিছে যে চীনে শ্ৰমিকৰ অসন্তোষক উচটনি দি কেনিয়াত আদানিৰ প্ৰকল্পসমূহত গোপনে ব্যাঘাত জন্মাবলৈ চেষ্টা কৰিছে যাতে তেওঁলোকে নিজেই গুৰুত্বপূৰ্ণ প্ৰকল্পসমূহ নিজৰ দখললৈ আনিব পাৰে। কেনিয়াৰ পৰিস্থিতি বিশ্লেষণ কৰি বিশ্লেষকসকলে কয় যে শ্ৰীলংকাৰ হাম্বান্টোটা বন্দৰ প্ৰকল্পৰ দৰে চীনৰ পৰা উচ্চ সুতৰ ঋণৰ জালত আবদ্ধ হৈ থকা কেনিয়াই আদানিৰ সৈতে লাভজনক চুক্তি কৰি চীনৰ ঋণৰ বোজা হ্ৰাস কৰিব বিচাৰিছিল। কিন্তু আদালতৰ ৰায়ৰ বাবে সেই সম্ভাৱনা এতিয়া অনিশ্চিত হৈ পৰিছে। লক্ষণীয় যে, কেনিয়াত সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ পিছতো অৱশ্যে আদানী গ্ৰুপৰ শ্বেয়াৰত বৰ্তমান বিশেষ প্ৰভাৱ পৰা নাই। কিন্তু কেনিয়াত একেৰাহে দুটা বৃহৎ প্ৰকল্পৰ বিফলতাৰ বাবে আদানি গ্ৰুপৰ ভৱিষ্যতৰ বিত্তীয় পৰিকল্পনা কেনেদৰে প্ৰভাৱিত হ'ব সেই সন্দৰ্ভত আন্তঃৰাষ্ট্ৰীয় সমাজে দৃষ্টি ৰাখিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মুদ্ৰাস্ফীতিৰ আঁচোৰ! মধ্যবিত্তৰ

এক গুৰুতৰ সংকেত বুলিও মন্তব্য কৰে নাৰায়ণে। নেচলে ইণ্ডিয়াৰ অধ্যক্ষগৰাকীয়ে কয়, "এটা সময় আছিল যেতিয়া এফ এম চি জি কোম্পানীসমূহে মূলতঃ মধ্যবিত্তীয় গ্ৰাহকৰ ওপৰত নিৰ্ভৰ কৰিছিল, কিন্তু এতিয়া এই শ্ৰেণী সংকুচিত হৈ পৰিছে।" তেওঁৰ মতে, যোৱা কেইটামান ত্ৰৈমাসিকত বিক্ৰীৰ এই স্থবিৰতা অস্বাভাৱিক আৰু চিন্তনীয়ভাৱে বৃদ্ধি পাইছে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে শেহতীয়াকৈ এছিয়ান পেইণ্টছৰ মুখ্য কাৰ্যবাহী বিষয়াগৰাকীয়েও জিডিপিৰ সংখ্যাক লৈ সন্দেহ প্ৰকাশ কৰিছিল। অৱশ্যে তেওঁৰ মন্তব্যৰ পিছদিনা কোম্পানীটোৱে ইয়াক ভুলকৈ উপস্থাপন কৰা বুলি স্পষ্টীকৰণ দিয়ে। কিন্তু ইয়াৰ পিছতো এতিয়া বজাৰৰ ভিতৰত গ্ৰাহকৰ অসন্তুষ্টিৰ ছবিখন স্পষ্ট হৈ পৰা বুলি মন্তব্য কৰে বিভিন্নজনে। বজাৰ বিশ্লেষকসকলে ভাৰতৰ গ্ৰাম্য আৰু নগৰীয়া গ্ৰাহকৰ মাজত স্থবিৰ গ্ৰাহক বৃদ্ধিৰ বিষয়ে বহুদিনৰ পৰা আলোচনা কৰি আহিছে। এটা আতংকজনক তথ্য হ'ল অটো মোবাইল ডিলাৰৰ হাতত বৰ্তমান ৭ লাখ বাহনৰ অভূতপূৰ্ব ষ্টক আছে। নাৰায়ণনে কয় যে যাত্ৰীবাহী বাহনৰ মজুত ৭৫% বৃদ্ধি পাইছে। পূৰ্বৰ বছৰৰ তুলনাত ২০২৪ চনত বাণিজ্যিক বাহনৰ বিক্ৰীও ৪-৬% হ্ৰাস পাইছে। এই সময়ছোৱাত দুচকীয়া বাহনৰ বিক্ৰী কিছু পৰিমাণে বৃদ্ধি পালেও সেয়াও ২০১৮ বৰ্ষৰ তুলনাত হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। ইফালে মাৰুতিৰ অধ্যক্ষ আৰ চি ভাৰ্গৱে দাবী কৰে যে মধ্যবিত্ত শ্ৰেণীটো অধিক ধনী হৈ আহিছে আৰু তেওঁলোকে অধিক দামী এছ ইউ ভি ক্ৰয় কৰিবলৈ সক্ষম হৈছে। কিন্তু নাৰায়ণনে এই মতামত খণ্ডন কৰি কয়, 'গ্ৰাহকে ইমান ডাঙৰ জাঁপ দিয়া বুলি জনা নাযায়। ধনীসকলে অধিক গাড়ী কিনাৰ লগে লগে এছ ইউ ভিৰ বিক্ৰী বৃদ্ধি পাইছে, আনহাতে মধ্যবিত্ত শ্ৰেণীটোৱে আয়ৰ ক্ষেত্ৰত বহুলাংশে সংকটত পৰিছে।" লক্ষণীয় যেস ক্ৰমাৎ আৰ্থিক সংকটৰ সন্মুখীন হো ৱা মধ্যবিত্ত শ্ৰেণীৰ আয় আৰু গ্ৰাহক বজাৰৰ স্থবিৰতাৰ ওপৰত এতিয়া তীক্ষ্ণ দৃষ্টি ৰখাৰ প্ৰয়োজনক দোহাৰে বহু বজাৰ বিশ্লেষকে। মন কৰিবলগীয়া যে, পিউ ৰিচাৰ্চ চেণ্টাৰৰ তথ্য অনুসৰি ২০১০ চনত ভাৰতৰ মধ্যবিত্ত শ্ৰেণীৰ সংখ্যা আছিল ৫০ৰ পৰা ৭০ মিলিয়ন, কিন্তু ২০২০ চনত এই সংখ্যা ১৫০ৰ পৰা ২০০ মিলিয়নলৈ বৃদ্ধি পায়। একে সময়তে পিউ ৰিচাৰ্চ চেণ্টাৰে ২০১৭ চনত এক অধ্যয়ন চলায়, য'ত ভাৰত আৰু চীনৰ মধ্যবিত্ত শ্ৰেণীৰ আকাৰ নিৰ্ণয় কৰা হয়। এই অধ্যয়নত দৈনিক ১০ৰ পৰা ৫০ ডলাৰৰ আয়ৰ ওপৰত ভিত্তি কৰি ক্ৰয় ক্ষমতাৰ সমতা (পিপিপি) ধাৰণা কৰা হয়। ২০১৬ চনৰ তথ্য অনুসৰি ভাৰতৰ মধ্যবিত্ত শ্ৰেণীৰ সংখ্যা ১০.৮ কোটি, আনহাতে চীনৰ মধ্যবিত্ত শ্ৰেণীৰ সংখ্যা আছিল ৭০.৭ কোটি। তাতোকৈ ডাঙৰ কথাটো হ'ল চীনৰ ৬১% লোকে দিনটোত ১০ ডলাৰতকৈ অধিক উপাৰ্জন কৰে, কিন্তু ভাৰতত দৈনিক ১০ ডলাৰ বা তাতকৈ অধিক উপাৰ্জন কৰা লোকৰ সংখ্যা হৈছে মাত্ৰ ৩%। এনেধৰণৰ সমীক্ষাৰ পৰাই ভাৰতৰ মধ্যবিত্ত শ্ৰেণীৰ অৱস্থা স্পষ্ট হৈ পৰা বুলি দাবী কৰে বিশ্লেষকসকলে। ভাৰতত মধ্যবিত্ত শ্ৰেণীৰ উত্তৰণত আহি পৰা স্থবিৰতা দূৰ কৰিবলৈ চৰকাৰৰ কাৰ্যকৰী পদক্ষেপৰ প্ৰয়োজনীয়তাৰ কথাও দোহাৰে একাংশ বিশ্লেষকে। এনেদৰে এতিয়া মুদ্ৰাস্ফীতিৰ আঁচোৰত হ্ৰাস পাইছে মধ্যবিত্তৰ জেপৰ জোৰ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্ঘটনাত নিহত এডিআৰৈই পৰীক্ষাৰ্থী

নিযুক্তি পৰীক্ষাৰ বাবে ডিব্ৰুগড়লৈ পৰীক্ষা দিবলৈ আহি টিংখঙৰ এজন যুৱক দুৰ্ঘটনাত পতিত হৈ মৃত্যুক সাবতি লয়। মহানগৰৰ দাঁতিকাষৰীয়া ঠাকুৰথানৰ বজাৰৰ সমীপত যুৱকজনে চলাই অহা মটৰ বাইকখনে স্পীড ব্ৰেকাৰত নিয়ন্ত্ৰণ হেৰুৱাই আন এখন বাহনৰ পিছফালে খুন্দা মাৰে। যাৰ ফলত থিতাতে নিহত হয় যুৱকজন। নিহত যুৱকজনৰ নাম মিলন গগৈ বুলি জানিব পৰা গৈছে। টিংখং ৰাইডঙীয়াৰ যুৱকজনে বকুল পলিটেকনিক ইন্সটিটিউটৰ চেণ্টাৰত পৰীক্ষাত বহি নিজৰ প্ৰয়োজনীয় নথি-পত্ৰ আনিবলৈ পাহৰি যোৱা কথা গম পায়। তেতিয়া পুনৰ পৰীক্ষা হলৰ পৰা নিজ ঘৰলৈ যুৱকজন উভতি যায় নথি-পত্ৰ আনিবলৈ। লগতে নিজৰ জ্যেষ্ঠ ভাতৃকো নথি-পত্ৰখিনি টিংখঙৰ পৰা লৈ আগবাঢ়ি আহিবলৈ কয়। সেই মতে জ্যেষ্ঠ ভাতৃয়ে নথি-পত্ৰখিনি ঘৰৰ পৰা আনি থাকুৰথানৰ সমীপত দিয়ে আৰু সেই নথি-পত্ৰ লৈ মিলন গগৈয়ে পুনৰ পৰীক্ষা হললৈ উভতি যাওঁতেই এই কৰুণ দুৰ্ঘটনাটো সংঘটিত হয়। মিলন গগৈৰ ঘৰ টিংখং ৰাইডঙীয়াত। দুৰ্ঘটনাত পতিত মটৰ চাইকেলখনৰ নম্বৰ হৈছে এএছ ০৬ টি ৯৮৯৯। ঘটনাটোৱে ডিব্ৰুগড়ত শোকৰ ছাঁ পেলাইছে।

# ইউটিউবৰ ভিডিঅ' চাই চাই

■ প্ৰথম পৃষ্ঠাৰ পৰা...

ৰান্ধনিৰ জীয়েক! পিতৃ-মাতৃৰ উপাৰ্জনৰ সামান্য টকা কেইটাৰে কেনেবাকৈ পোহপাল যায় পৰিয়ালটো। এনে পৰিপ্ৰেক্ষিতত প্ৰশাসক হ'ব বিচৰা যুৱতীগৰাকীৰ বাবে কোচিঙৰ ব্যৱস্থা কৰাটো পিতৃ-মাতৃৰ বাবে আছিল কেৱল এক অলীক কল্পনা। কন্যাৰ সপোন পূৰণ কৰিব নোৱাৰা ব্যথাৰ জুইয়ে অহৰহ দহিছিল পিতৃ-মাতৃক। কিন্তু পৰিয়ালৰ আৰ্থিক সংকটক সপোনৰ বাটত হেঙাৰ হ'ব দিবলৈ ৰাজী নোহোৱা ছোৱালীজনীয়ে নিজাববীয়াকৈ আৰম্ভ কৰে প্ৰশাসনিক সেৱাৰ প্ৰস্তুতি। কোনো কোচিং গ্ৰহণ নকৰাকৈ তেওঁ আৰম্ভ কৰা প্ৰস্তুতিত যুৱতীগৰাকীৰ সংগী হৈ পৰে ইউটিউব আৰু ইণ্টাৰনেট। এনেদৰেই সংগ্ৰাম কৰি অৱশেষত সফলতাও লাভ কৰিবলৈ সক্ষম হ'ল তেওঁ। শেহতীয়াকৈ ঘোষিত হোৱা ওড়িশা অসামৰিক সেৱাৰ ফলাফলত সাফল্য অৰ্জন কৰা এই যুৱতীগৰাকী হৈছে ৰাজ্যখনৰ বণ্ডা জনজাতীয় সম্প্ৰদায়ৰ বিনি মুৰুলী। উল্লেখ্য যে, ইউটিউব ভিডিঅ' চাই আৰু ইণ্টাৰনেট ব্যৱহাৰ কৰি পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা বিনি এতিয়া পৰিগণিত হৈছে বণ্ডা সম্প্ৰদায়ৰ পৰা উচ্চ পদৱী লাভ কৰা প্ৰথমগৰাকী ব্যক্তি হিচাপে। শনিবাৰে ঘোষিত হোৱা ওড়িশা অসামৰিক পৰীক্ষাত ৫৯৬ ৰেংক লৈ সাফল্য লাভ কৰে বিনি মুৰুলীয়ে। 'দ্য ইণ্ডিয়ান এক্সপ্ৰেছ'ক দিয়া এক সাক্ষাৎকাৰত বিনিয়ে কয়, 'মই জানিছিলোঁ যে মোৰ পিতৃ-মাতৃয়ে কোচিঙৰ বাবে ধন যোগান ধৰিব নোৱাৰিব। কিন্তু টকাক সপোনৰ বাটত বাধা হৈ আহিবলৈ নিদিলোঁ। সেয়ে ইউটিউব চাই পঢ়া-শুনা আৰম্ভ কৰিলোঁ। পৰীক্ষাৰ বাবে অধ্যয়নৰ সামগ্ৰীও ইণ্টাৰনেটৰ পৰা সংগ্ৰহ কৰিলোঁ।" উল্লেখ্য যে, বন্দৰ ঘাটৰ চৰকাৰী বিদ্যালয়ৰ পৰা বিনিয়ে আৰম্ভ কৰিছিল প্ৰাথমিক শিক্ষা। ইয়াৰ পিছত তেওঁ জৱাহৰ নৱোদয় বিদ্যালয়ত উচ্চ শিক্ষাৰ বাবে নামভৰ্তি কৰে। বিনীয়ে কয়, "মই জেইপুৰৰ বিক্ৰম দেৱী কলেজৰ পৰা উদ্ভিদ বিজ্ঞানত মাষ্টাৰছ কৰিছো। তাৰ পৰাই উপাৰ্জন কৰা ধন মই মোৰ পঢ়া-শুনাৰ নামত খৰচ কৰিছিলো।" ২০২০ চনত প্ৰথমবাৰৰ বাবে অসামৰিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল বিনি। কিন্তু সেইবছৰ সফলতা অৰ্জনত ব্যৰ্থ হয় তেওঁ। বিনিয়ে কয় যে পৰীক্ষাত ফেইল কৰাৰ পিছত তেওঁ উপলব্ধি কৰিছিল যে তেওঁ এতিয়াও নিজকে প্ৰস্তুত কৰিবলৈ কঠোৰ পৰিশ্ৰম কৰিব লাগিব। তেতিয়াৰ পৰাই আৰম্ভ হয় তেওঁৰ সপোন পূৰণৰ সংগ্ৰাম। কোচিং চেণ্টাৰলৈ যোৱাৰ বিপৰীতে ইউটিউবৰ সহায়ত তেওঁ পঢ়া-শুনা অব্যাহত ৰাখে আৰু অৱশেষত তেওঁৰ সেই প্ৰচেষ্টাই মুখত সানে সাফল্যৰ হাঁহি। ইফালে কন্যাৰ সফলতাক লৈ গৌৰৱ অনুভৱ কৰিছে পিতৃ ৰাম মুৰুলীয়েও। তেওঁৰ এই সফলতাই সমাজৰ বহু ছোৱালীক অনুপ্ৰাণিত কৰিব বুলি মন্তব্য কৰে বিনিৰ পিতৃয়ে। বিনিৰ সফলতাৰ এই কাহিনীয়ে এতিয়া ছ'চিয়েল মিডিয়াতো ব্যাপক চৰ্চা লাভ কৰা দেখা গৈছে।

# ৰকিবুলক তেজ দিবলৈ সাজু

■ প্ৰথম পৃষ্ঠাৰ পৰা...

ভূপেন বৰা। কংগ্ৰেছত বাদ-বিসম্বাদ তুংগত উঠাৰ সময়তে আজি ভূপেন বৰাই চামগুৰিৰ প্ৰাৰ্থী তাঞ্জিল হুছেইনৰ হৈ প্ৰচাৰ চলাই নিজৰ ব্যক্তিগত খং-ৰাগ পাহৰি চামগুৰি আৰু বিহালী সমষ্টিত নিজ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। আজি প্ৰথমে দুপৰীয়াৰ ভাগত চামগুৰিত উপস্থিত হৈ ৰকিবুলৰ পুত্ৰৰ বাবে তেজ দিবলৈ সাজু বুলি ঘোষণা কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। ভাষণৰ মাজতে অসম আৰক্ষীক উদ্দেশ্যি ভূপেন বৰাই কয় যে স্বাধীনতা আন্দোলনত ব্ৰিটিছৰ বিৰুদ্ধে যুঁজা কংগ্ৰেছৰ নেতা-কৰ্মীয়ে বন্দুকৰ গুলী বুকু পাতি লৈছিল। এতিয়া যদি অসম আৰক্ষীয়ে কংগ্ৰেছৰ ৰক্তৰে ভূমি ৰক্তৰঞ্জিত হোৱাতো বিচাৰিছে নগাঁৱত তেতিয়াহ'লে প্ৰথম তেজ দিবলৈ ভূপেন বৰা সাজু। ইমানেত ক্ষান্ত নাথাকি ৰবিকুল হুছেইনক বীৰ আখ্যা দি তেওঁৰ পুত্ৰ তথা চামগুৰি সমষ্টিৰ প্ৰাৰ্থী তাঞ্জিল হুছেইনক বীৰৰ পুত্ৰ বীৰেই বুলি মন্তব্য কৰে। যেনেদৰে ৰকিবুল হুছেইনে বদৰুদ্দিন আজমলক অভিলেখ সংখ্যাক ভোটত পৰাস্ত কৰি ৰেকৰ্ড গঢ়িছে তেনেদৰে পুত্ৰ তাঞ্জিল হুছেইনেও অভিলেখ সংখ্যক ভোট লাভ কৰি ইতিহাস গঢ়িব বুলি কয়। চামগুৰিৰ ৰাইজে দিপ্লুৰঞ্জন শৰ্মাক নহয় হিমন্ত বিশ্ব শৰ্মাকহে পৰাস্ত কৰিব আৰু তাঞ্জিলে বীৰৰ পুত্ৰৰ পৰিচয় দিব বুলিও কয় বৰাই। ইয়াৰ পিছতে ভূপেন বৰাই বিয়লিৰ ভাগত বিহালী সমষ্টিত উপস্থিত হয়। বিহালী সমষ্টিত বৰাই প্ৰথমে তৃণমূলৰ কৰ্মীৰ সৈতে বৈঠক অনুষ্ঠিত কৰে। যিখন পতাকাক কনকলতাই গহপুৰ থানালৈ আগুৱাই নিছিল, কনকলতা শ্বহীদ হোৱাৰ পাছত যিখন পতাকা মকুন্দ কাকতিয়ে আগুৱাই নিছিলে সেই পতাকাক জয়ন্ত বৰাৰ ঘৰত স্থানীয় মণ্ডল কংগ্ৰেছৰ সভাপতিয়ে উত্তোলন কৰিব আৰু সেই পতাকাৰ মৰ্যাদা অক্ষুন্ন ৰাখিবলৈ জয়ন্ত বৰাক আহ্বান জনায়। লক্ষণীয়ভাৱে ভূপেন বৰাই বিহালীত উপস্থিত হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সময়তে সমষ্টিটোত উপস্থিত নাছিল সাংসদ গৌৰৱ গগৈ। গৌৰৱ গগৈয়ে মিত্ৰতাৰ ধৰ্ম পৰিহাৰ কৰি অসম সন্মিলিত মৰ্চাৰ চমুকৈ 'অমস'ৰ সিদ্ধান্ত অৱমাননা কৰি চিপিআইএমএলক বিহালী সমষ্টি এৰি দিয়াৰ পূৰ্বে তথা কংগ্ৰেছত যোগদান কৰাৰ পূৰ্বে জয়ন্ত বৰাক কংগ্ৰেছৰ টিকট দি পাছত যোগদান কৰাইছিল। ভূপেন বৰা আছিল অসম সন্মিলিত মৰ্চাৰ চমুকৈ 'অসম'ৰ সহযোগী দল চিপিআইএমএলক বিহালী সমষ্টি এৰি দিয়াৰ পক্ষত। কিন্তু গৌৰৱ গগৈয়ে আঁকোৱাগোজ হৈ কংগ্ৰেছৰ প্ৰাৰ্থী দিয়াত ভূপেন বৰা আৰু গৌৰৱ গগৈৰ মাজত আৰম্ভ হৈছিল সংঘাত। দুয়ো নেতাৰ মাজত যে সংঘাত বৃদ্ধি পাইছে আজি গৌৰৱ গগৈৰ অনুপস্থিতিত ভূপেন বৰাই প্ৰচাৰ চলোৱা কথাটোৱে স্পষ্ট কৰে। মতানৈক্য যে মনোনৈক্যলৈ ৰূপান্তৰিত হৈছে সেই কথা প্ৰমাণ কৰে। ইপিনে চামগুৰিত দিয়া ভূপেন বৰাৰ ভাষণক লৈ কংগ্ৰেছৰ ভিতৰচ'ৰাত তীব্ৰ চৰ্চা হৈছে। কিয়নো এইগৰাকী ভূপেন বৰাৰ বিৰুদ্ধে নতুন দিল্লীত ৰাহুল গান্ধীক অভিযোগ দিবলৈ যোৱা অসম কংগ্ৰেছৰ বিধায়কসকলৰ পৃষ্ঠপোষকতা ৰকিবুল হুছেইনে কৰা বুলি অভিযোগ উঠিছিল। ভূপেন বৰাক অপসাৰিত কৰি গৌৰৱ গগৈক সভাপতি কৰাৰ যো-জা চলোৱা বুলি কংগ্ৰেছৰ একাংশ লোকে বিশ্বাস কৰে। তেনে সময়তে ৰকিবুল হুছেইনৰ পুত্ৰৰ বাবে ভূপেন বৰাই তেজ দিবলৈ সাজু বুলি কোৱা কাথটোক লৈ কংগ্ৰেছৰ ভিতৰত তীব্ৰ চৰ্চা হৈছে। গৌৰৱ গগৈয়ে নেতৃত্ব লৈ থকা বিহালী সমষ্টি বটিয়ামাৰীৰ সভাত অংশ লৈ ভূপেন বৰাই স্বাধীনতা আন্দোলনৰ কথা সুঁৱৰি কনকলতা, মুকুন্দ কাকতিক স্মৰণ কৰে। গহপুৰত কনকলতা আৰু মুকুন্দ কাকতিৰ বুকুত গুলী লগাত ৰামপতি ৰাজখোৱাই পতাকা মাটিত পৰিবলৈ নিদি গহপুৰ থানাত উত্তোলন কৰিছিল বুলি উল্লেখ কৰি বৰাই সভাৰ মাজতে যঁতৰ খোদিত পতাকা কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাক উপহাৰ হিচাপে প্ৰদান কৰে। পতাকাখনৰ মৰ্য্যদা আলোকপাত কৰি চিৰজীৱনৰ বাবে ঘৰত উৰুৱাই থবলৈ জয়ন্ত বৰাক আহ্বান জনাই ভূপেন বৰাই। ইপিনে হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ কৰি ভূপেন বৰাই কয় যে হাতী যেতিয়া মাতাল হয়, মাউতৰ কথা নুশুনি মানুহৰ ঘৰৰ জেউৰা ভাঙে, কলগছ উঘালে। তেতিয়া মাউটে হাতীটোক নিয়ন্ত্ৰণৰ বাবে অংকুশ দি খুছি দিয়ে। বৰ্তমান সময়ত বিজেপি চৰকাৰো মাতাল হৈছে। যাৰ বাবে বিজেপি দল চৰকাৰে অসম চুক্তিক হত্যা কৰিছে। অসমৰ ৰাইজক শুই থকা সিংহ আখ্যা দি প্ৰদেশ কংগ্ৰেছৰ সভাপতি বৰাই কয়, মই অসমৰ ৰাইজক শুই থকা সিংহ বুলি ভাবো। মই অসমৰ ইপাৰৰ পৰা সিপাৰে শুই থকা সিংহক জাগ্ৰত হ'বলৈ অনুৰোধ জনালো। বিজেপিক যদি ভোট নিদিয়ে হিমন্তই কয় 'হিন্দু খাতৰে-ম্যে-হেই'। হিন্দু-মুছলিম ভাগ কৰা দলটোৱেই হৈছে বিজেপি। শংকৰদেৱে সকলোকে একত্ৰিত কৰিছিল। বিজেপি আৰু আৰএছএছে ভাগ ভাগ কৰি কয় 'হিন্দু খটৰে-ম্যে-হে'। ৰাজ্যত কংগ্ৰেছৰ চৰকাৰ গঠন হ'লে ন-লখিমী নামৰ আঁচনি আনি প্ৰতিমাহে মহিলাক ৩ হেজাৰকৈ দিয়াৰ ঘোষণা কৰে বৰাই। ২০০ ইউনিট বিদ্যুত বিনামূলীয়াকে দিয়াৰ লগতে ৰন্ধন গেছৰ চিলিণ্ডাৰ ৫০০ টকাত দিব বুলিও ঘোষণা কৰে ভূপেন বৰাই। এনেদৰে এতিয়া আকৰ্ষণীয় হৈ পৰিছে বিহালী আৰু চামগুৰি সমষ্টিক লৈ কংগ্ৰেছৰ বিভিন্ন লবীৰ মাজৰ খেলখন। শাসকীয় বিজেপিৰ বিৰুদ্ধে যুঁজ দিয়াৰ পৰিৱৰ্তে নিজৰ দলৰ ভিতৰতে যুঁজ-বাগৰ কৰি ভালপোৱা কংগ্ৰেছীসকলৰ চৰিত্ৰ সময়ে সময়ে স্পষ্ট হৈ অহাৰ লগতে এইবাৰ বিহালীত অধিক প্ৰকট হৈ পৰা দেখা গৈছে। ইয়াৰ মাজতে বাদ-বিসম্বাদ সকলো পাহৰা যেন দেখুৱাই কংগ্ৰেছী নেতাসকলে আৰম্ভ কৰা নিৰ্বাচনী প্ৰচাৰে দলটোক কোন দিশে নিয়ে সেয়া লক্ষণীয় হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আলফাই ক্ৰিপ্ট'কাৰেন্সি বিচৰা

বৃদ্ধিৰ অভিযোগৰ মাজতে অ'এনজিচিৰ বিষয়া-কৰ্মচাৰীক অপহৰণ আৰু একাংশ ব্যৱসায়ীক ধন দাবীৰ অভিযোগ উত্থাপন হৈছে। অএনজিচিৰ বিষয়া-কৰ্মচাৰীক অপহৰণ আৰু অপহৰণৰ প্ৰয়াস কৰাৰ মাজতে আলফা স্বাধীনৰ পেডত ক্ৰিপ্টকাৰেন্সিযোগে একাংশ ব্যৱসায়ীক ধন দাবী পত্ৰ প্ৰদান কৰি ধন দাবী কৰি আদায় দিবলৈ ভাবুকি দিয়াৰ অভিযোগ উঠিছে। বিশেষকৈ যোৰহাট জিলাত ধন দাবীৰ ঘটনাই আতংকৰ সৃষ্টি কৰিছে। অসমৰ সংবাদমাধ্যমত আলফা স্বাধীনে ধন দাবীৰ বাতৰি প্ৰকাশৰ পাছতে আজি আলফা স্বাধীনে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। এক বিবৃতি যোগে ধন দাবীৰ ঘটনাৰ সৈতে আলফা স্বাধীন জড়িত নহয় বুলি দাবী কৰিছে। আলফা স্বাধীনে ধন দাবীৰ ঘটনাক নস্যাৎ কৰি আলফা স্বাধীনৰ নামত ছদ্মবেশী লোক জড়িত বুলি অভিযোগ কৰিছে। অজ্ঞাত অসীম অসম নামৰ লোকজনে আলফা স্বাধীনৰ নাম লৈ ধন দাবী কৰাটো আলফা স্বাধীনৰ দৃষ্টিগোচৰ হোৱা বুলি কৈ সেইজনলোক আলফা স্বাধীনৰ সৈতে জড়িত নহয় বুলি কয়। সহ-প্ৰচাৰ সম্পাদক ঈশান অসমে সংবাদমাধ্যমলৈ প্ৰেৰণ কৰা বিবৃতিত আলফা স্বাধীনে কয় যে যোৰহাটৰ ব্যৱসায়ীক সন্থাৰ লগতে থলগিৰী অসমবাসীক জনাব খোজো যে আলফা স্বাধীনৰ বিত্ত বিভাগত অসীম অসম বুলি কোনো লোক নাই। লগতে ধন দাবীৰ কোনো পত্ৰ আলফা স্বাধীনে প্ৰেৰণ কৰা নাই। পূৰ্বেও আলফা স্বাধীনৰ নাম লৈ দুৰ্বৃত্তই ধন দাবীৰ উদাহৰণ থকাৰ লগতে আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱাৰ উদাহৰণ থকা বুলি কৈ অসীম অসম নামৰ ছদ্মবেশীজনক সহযোগ নকৰিবলৈ যোৰহাটৰ বিভিন্ন ব্যৱসায়িক অনুষ্ঠান, প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰীক আহ্বান জনাই আলফা স্বাধীনে। খবৰ মতে, উজনি অসমৰ যোৰহাট জিলাৰ বচা বচা ব্যৱসায়ীক আলফা স্বাধীনৰ নামত কেপ্টেইন অসীম অসমৰ স্বাক্ষৰিত দাবী পত্ৰ প্ৰেৰণ কৰা হৈছে। ডাকযোগে প্ৰেৰণ কৰা ধন দাবীৰ পত্ৰসমূহত ৩-৪ লাখ টকাকৈ দাবী কৰা হৈছে। দাবী কৰা ধন ইথাৰিয়াম ক্ৰিপ্টকাৰেন্সিৰ জৰিয়তে নিৰ্দিষ্ট কৰি দিয়া ক্ৰিপ্ট' ৱালেটত প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। দাবী কৰা ধন ২৭ অক্টোবৰৰ ভিতৰত আদায় দিবলৈ দাবী পত্ৰখনত নিৰ্দেশ দিয়া হৈছে। এনেদৰে দীৰ্ঘদিনৰ মূৰকত আলফা স্বাধীন সক্ৰিয় হোৱাত ব্যৱসায়ীসকলৰ মাজত আতংকৰ সৃষ্টি হৈছে। ইতিমধ্যে যোৰহাট আৰক্ষীৰ কাষ চাপিছে ব্যৱসায়ীসকল। যোৰহাট আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। ধন দাবীৰ পত্ৰসমূহ প্ৰকৃততে আলফা স্বাধীনৰ হয় নে নহয় সেই কথা স্পষ্ট হোৱা নাছিল যদিও অৱশেষত আজি আলফা স্বাধীনে এক বিবৃতিযোগে এয়া সংগঠনটোৰ কাম নহয় বুলি স্পষ্ট কৰি দিছে। এতিয়া আৰক্ষীৰ ভূমিকাও হ'ব লক্ষণীয়।

# বৰমেৰাৰ অংগনবাড়ী কেন্দ্ৰত চুৰিকাণ্ড

**ই-সংবাদ, গোলকগঞ্জ, ২৭ অক্টোবৰঃ** ধুবুৰী জিলাৰ আগমনি সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনৰ বৰমেৰা গাঁৱৰ ৪০ নং বেপাৰীটাৰী অংগনাবাড়ী কেন্দ্ৰত শুকুৰবাৰে নিশা চুৰি হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, শনিবাৰে পুৱা কেন্দ্ৰটোৰ কৰ্মী আৰু সহকৰ্মী কেন্দ্ৰটোত উপস্থিত হৈ দুৱাৰ খিৰিকী খোলা থকা প্ৰত্যক্ষ কৰে। লগে লগে স্থানীয় ৰাইজক মাতি আনি কেন্দ্ৰৰ ভিতৰত সোমাই চাউল, দাইল, ৰান্ধনীশালৰ বাচন-বৰ্তন আদি চুৰি হোৱা বুলি নিশ্চিত হয়। নিশা কোনো অজ্ঞাত দুষ্কৃতিকাৰীয়ে লোৰ ৰডেৰে হেঁচা দি দুৱাৰ-খিৰিকী খুলি সামগ্ৰীবোৰ চুৰি কৰা বুলি সন্দেহ কৰা হৈছে। পৰিচালনা সমিতিয়ে বিভাগীয় কাৰ্যালয়ত সমগ্ৰ ঘটনা অৱগত কৰাৰ লগতে আগমনি আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। উল্লেখ্য যে কেইমাহমান পূৰ্বেও কেন্দ্ৰটোত চুৰি কাৰ্য সংঘটিত হৈছিল। কেন্দ্ৰৰ নাতি দূৰৈত অৱস্থিত আমতলা বজাৰত মুকলিভাৱে চলিছে অবৈধ তীৰ খেল। তীৰৰ কৱলত পৰি ইতিমধ্যে বহু লোক সৰ্বস্বান্ত হৈছে। অবৈধ তীৰৰ বাবেই অঞ্চলটোত পাৰিবাৰিক কাজিয়া, চুৰি কাৰ্য জাতীয় অসামাজিক কাৰ্য ব্যাপক হাৰত বৃদ্ধি পাইছে। তৎসত্বেও নেদেখা কুলিৰ ভাও ধৰি বহি আছে আগমনি আৰক্ষী। স্থানীয় ৰাইজে সেয়ে শীঘ্ৰে আৰক্ষী-প্ৰশাসনক এনে তীৰখেলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰি আহিছে। লগতে সঘনে সংঘটিত হৈ অহা চুৰি কাণ্ড ৰোধ কৰিবলৈ ব্যৱস্থা গ্ৰহণৰো দাবী জনাইছে।

# ২২সংখ্যক ওদালগুৰি জিলা দিৱসৰ আয়োজন

**ই-সংবাদ, ওদালগুৰি, ২৭ অক্টোবৰঃ** ২০০৩ চনৰ ৩০ অক্টোবৰত এক চৰকাৰী নিৰ্দেশনাৰ জৰিয়তে জন্ম হোৱা অসমৰ বড়োলেণ্ড টেৰিটৰিয়েল কাউঞ্চিলৰ অন্যতম জিলা ওদালগুৰিয়ে ২১ বছৰ সম্পূৰ্ণ কৰিব। সেই উপলক্ষে অহা ৩০ অক্টোবৰত দিনজোৰা কাৰ্যসূচীৰে ওদালগুৰি জিলা আয়ুক্ত কাৰ্যালয়ৰ পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত হব ওদালগুৰি জিলা দিৱসৰ বিভিন্ন কাৰ্যসূচী। কাৰ্যসূচী অনুসৰি ৩০ অক্টোবৰৰ পুৱা ৯:০০ বজাত ওদালগুৰি জিলাৰ ইতিহাস আলোকপাত কৰি জিলাখনৰ সকলো শিক্ষানুষ্ঠানত বিশেষ প্ৰাতঃ সভা অনুষ্ঠিত হব। দিনৰ ১২:০০ বজাত ওদালগুৰি জিলা দিৱস উদযাপনস্থলীত মুকলি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হব। দুপৰীয়া ২:০০ বজাত ওদালগুৰিৰ বিষ্ণু ৰাভা কৃষ্টি সংঘ প্ৰাঙ্গণৰ পৰা জিলা আয়ুক্ত কাৰ্যালয়ৰ পেৰেড গ্ৰাউণ্ডলৈ উলিওৱা হ'ব বিশেষ সাংস্কৃতিক শোভাযাত্ৰা। বিয়লি ৩:০০ বজাত ওদালগুৰিৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পেৰেড গ্ৰাউণ্ডত প্ৰদৰ্শনীৰ লগতে পৰম্পৰাগত খাদ্যৰ বিশেষ কাৰ্যসূচীৰ আনুষ্ঠানিক উদ্বোধন কৰা হব। আবেলি ৪:০০ বজাত ওদালগুৰি জিলাৰ বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক জড়িত কৰি সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব। সন্ধিয়া ৫:৩০ বজাত জিলাখনৰ বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শকাৰী ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন। সন্ধিয়া ৬:০০ বজাত আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক কাৰ্যসূচী। প্ৰতিটো কাৰ্যসূচীতে উপস্থিতি কামনা কৰিছে জিলা আয়ুক্ত পুলক পাটগিৰিয়ে।

# নগাঁৱৰ লুটুমাৰি বজাৰত বিধ্বংসী অগ্নিকাণ্ড

**ই-সংবাদ, বেবেজীয়া, ২৭ অক্টোবৰঃ** নগাঁও জিলাৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কচুৱাৰ লুটুমাৰি বজাৰত শনিবাৰে নিশা এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। অগ্নিকাণ্ডৰ ফলত কোনো লোক হতাহত হোৱা নাই যদিও দুখন ব্যৱসায়িক প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ বিপৰীতে এখন গেলামাল দোকানৰ কিছু সামগ্ৰী ভস্মীভূত হয়। ফলত ব্যৱসায়িক প্ৰতিষ্ঠানকেইখনৰ কেইবা লক্ষাধিক টকাৰ সা-সম্পত্তি জুইত জাহ যায়। প্ৰাপ্ত খবৰ মতে, লুটুমাৰি বজাৰৰ মাজমজিয়াত থকা ব্যৱসায়িক প্ৰতিষ্ঠানকেইখনত এই বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। ঘটনাৰ আকস্মিকতাত সমগ্ৰ অঞ্চলটোত হুৱাদুৱা পৰিস্থিতিৰ সৃষ্টি হয় আৰু বহুলোক সমবেত হৈ অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে যদিও ঘটনাস্থলীত ডেৰ ঘণ্টা পলমকৈ উপস্থিত হয় অগ্নিনিৰ্বাপক বাহিনী। অৱশ্যে স্থানীয় লোকৰ প্ৰচেষ্টাত জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। অগ্নিনিৰ্বাপক বাহিনীৰ গাফিলতিৰ বাবেই ব্যৱসায়িকক প্ৰতিষ্ঠান দুখন জুইত সম্পূৰ্ণৰূপে জাহ যায় বুলি ৰাইজে অভিযোগ তুলিছে। বিদ্যুতৰ শ্ব'ৰ্ট চাৰ্কিটৰ ফলতেই এই ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হোৱা বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দেৱালীৰ উপহাৰ দিলে চৰকাৰে

দীপাৱালিৰ দুদিন পূৰ্বে বিশেষ সিদ্ধান্ত লৈ চৰকাৰী কৰ্মচাৰীসকলক উপহাৰ দিয়ে। খাদ্য-সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিত সাধাৰণ লোকৰ লগতে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ মাজো প্ৰভাৱ পৰিছে। তেনে সময়তে মৰগীয়া বানচ তথা বকেয়া বৃদ্ধি কৰাৰ লগতে বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে ৰাজ্য চৰকাৰে। আজি ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত আগন্তুক ২০২৬ চনৰ নিৰ্বাচনক গুৰুত্ব দি কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। বিশেষকৈ ৰাজ্য চৰকাৰৰ কৰ্মচাৰীক সুখী কৰিবলৈ বৃহৎ সিদ্ধান্ত লয় চৰকাৰে। বিধানসভাৰ নিৰ্বাচনলৈ ডেৰ বছৰ বাকী থকা অৱস্থাত বিভিন্ন কাৰণত নাৰাজ ৰাজ্য চৰকাৰৰ কৰ্মচাৰীক ৰাস তথা দিপাৱলীৰ উপহাৰ প্ৰদান কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ হাৰত মৰগীয়া বানচ দিয়াৰ সিদ্ধান্তৰ লগতে ৩ শতাংশ বানচ বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰে কেবিনেটে। ৰাজ্যিক কৰ্মচাৰীসকলৰ পূৰ্বৰ মৰগীয়া বানচ আছিল ৫০ শতাংশ। আজি ৩ শতাংশ বৃদ্ধি কৰাত মৰগীয়া বানচ হৈ পৰিল ৫৩ শতাংশ। মৰগীয়া বানচ ডিচেম্বৰ মাহৰ দৰমহাৰ পৰা লাভ কৰিব কৰ্মচাৰীসকলে। বিগত জুলাই মাহৰ পৰা কাৰ্যকৰী কৰি বকেয়া আগন্তুক ডিচেম্বৰ মাহৰ পৰা মাৰ্চ নাহলৈ চাৰিটা কিস্তিত কৰ্মচাৰীসকলক আদায় দিব। দীপাৱলী উপলক্ষে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক অক্টোবৰ মাহৰ দৰমহা ২৮ অক্টোবৰ অৰ্থাৎ কাইলৈ মুকলি কৰিব ৰাজ্য চৰকাৰে। আনহাতে ৰাজ্যৰ এগৰাকী বিশিষ্ট ক্ৰীড়াবিদক ডিএছপি পদত চাকৰি দিয়াৰ সিদ্ধান্ত লৈছে ৰাজ্য চৰকাৰে। অৰ্জুন বঁটা বিজয়ী ধনুৰ্বিদ জয়ন্ত তালুকদাৰক ডিএছপি পদত নিযুক্তিৰ সিদ্ধান্ত লৈছে কেবিনেটে। দুবাৰকৈ বিশ্ব চেম্পিয়ন অৰ্জন কৰা অৰ্জুন বঁটা বিজয়ী জয়ন্ত তালুকদাৰক চাকৰি প্ৰদান কৰি সন্মান দিয়ে চৰকাৰে। কেবিনেট বৈঠকৰ অন্তত মন্ত্ৰী ডাও ৰণোজ পেগু আৰু জয়ন্তমল্ল বৰুৱাই এখন সংবাদমেল সম্বোধন কৰি এই তথ্যসমূহ ব্যক্ত কৰে। দুয়ো মন্ত্ৰীয়ে উল্লেখ কৰা মতে কেবেনিটে ৰাসৰ অনুমতি ল'বলৈ কোনো মাচুল দিব নালাগে আৰু ৰাস সমিতিসমূহক আৰ্থিক সাহায্য প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। জীৱন্ত ৰূপত ৰাস উদযাপন সমিতিসমূহক ২৫ হাজাৰ টকাৰ আৰ্থিক সাহায্য দিব। মৃন্ময় মূৰ্তিৰে ৰাস অনুষ্ঠিত কৰা সমিতিসকলে ২৫ হাজাৰ সাহায্য লাভ নকৰে। আসাম টি প্লেনটেচন প্ৰভিডেণ্ট ফাণ্ড আঁচনিখনৰ কৰ্মচাৰীক প্ৰভিডেণ্ট ফাণ্ডৰ সৈতে জড়িত কৰাৰ সিদ্ধান্ত কেবিনেটৰ। শ্ৰমিক-কৰ্মচাৰীয়ে ১৫ হাজাৰ টকাৰ ওপৰত দৰমহা পোৱাসকলে প্ৰভিডেণ্ট ফাণ্ডৰ বাবে ধন কৰ্তন কৰিব নালাগিছিল। কিন্তু দৰমহা বৃদ্ধি হোৱাত শ্ৰমিক-কৰ্মচাৰীসকলৰ প্ৰভিডেণ্ট ফাণ্ডৰ সৈতে জড়িত কৰাৰ সিদ্ধান্ত লয় কেবিনেটে। ৰিলায়েন্স বায় এনাৰ্জিৰ সৈতে বুজাবুজিৰ চুক্তিৰ স্বাক্ষৰ কৰিব ৰাজ্য চৰকাৰে। আজিৰ কেবিনেটে অনুমোদন দিয়ে। গ্ৰীণ এনাৰ্জি উৎপাদনৰ বিষয়ত গৱেষণা আৰু সম্ভাৱনাৰ বাবে ৰিলায়েন্সৰ সৈতে ৰাজ্য চৰকাৰক চুক্তি কৰাৰ অনুমোদন দিয়ে কেবিনেটে। ৰিলায়েন্স বাই এনাৰ্জীৰ সৈতে চুক্তিত স্বাক্ষৰ কৰি বাই ৰিফাইনেৰী গঢ়ি তোলা তথা সৃজনৰ সম্ভাৱনাক লৈ কাম কৰিব চৰকাৰে। লোকনিৰ্মাণ বিভাগত পূৰ্বে কাম কৰা কিন্তু লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰা ৩৬ সহকাৰী অভিযন্তাক কাম কৰি যাবলৈ দিবৰ বাবে কেবিনেটে সিদ্ধান্ত লয়। তামুলপুৰ জিলাত নিৰ্বাচন বিভাগ গঠন, হাস্পতাল-মেডিকেল কলেজৰ ঔষধৰ বাবে ১৭৫ কোটি, অসম আৰক্ষীৰ মৈত্ৰী আঁচনিৰ বাবে ১৫০ কোটি দিয়াৰ লগতে লগতে ৯৭টা পথ প্ৰকল্প আৰু ৭০টা ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প নাবাৰ্ডৰ ধেনেৰ নিৰ্মাণ আৰু ২৬ শতাংশ অংশীদাৰিত্ব থকা নুমলীগড় শোধনাগাৰত ২০৫ কোটি টকা বিনিয়োগৰ সিদ্ধান্ত গ্ৰহণ কৰিছে আজি অনুষ্ঠিত হিমন্ত চৰকাৰৰ কেবিনেটে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বেটাৰ হাঁহি চা! গোৱাত ধৰা

নিশাৰ ভিতৰতে ধনী হোৱাৰ সপোন দেখুৱাই কোটি কোটি টকা লুণ্ঠন কৰা দীপাংকৰ বৰ্মনক দুই ৰাজ্যৰ আৰক্ষীয়ে ভাৰততে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। অষ্ট্ৰেলিয়াত বাহৰ পাতি স্থায়ী নাগৰিকত্ব লোৱা বুলি একাংশই কৰি অহা দাবীক মিছা প্ৰতিপন্ন কৰি ট্ৰেডিং কেলেংকাৰীৰ অন্যতম নায়ক দীপাংকৰক গোৱাত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে এক্সত দিয়া পোষ্টযোগে এই কথা উল্লেখ কৰিছে। বৰ্মনক গোৱা আৰক্ষীৰ অপৰাধ শাখাৰ সহযোগত গ্ৰেপ্তাৰ কৰা হৈছে বুলি জানিব পৰা গৈছে। ডি.বি ষ্টক কেলেংকাৰীৰ অভিযুক্ত দীপংকৰ বৰ্মনক গোৱাত গোৱা আৰক্ষীৰ অপৰাধ শাখাৰ সহযোগত পাণবজাৰৰ এচিপি অমিত মহাতোৰ নেতৃত্বত যোৱা এটা দলে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। অভিযানকাৰী দলটোৱে বৰ্মনে গোৱাত বাহৰ পাতি থকা ঘৰটোৰ পৰা ২৭ লাখ টকাৰ নগদ ধন উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। এটা বেগত ৰাখিছিল ৫০০ টকীয়া নোটেৰে সমৃদ্ধ বৃহৎ পৰিমাণৰ টকাখিনি। নগদ ধনৰ লগতে বহু পৰিমাণৰ সোণৰ গহনাও উদ্ধাৰ কৰে আৰক্ষীয়ে। চিবিআইৰ ৰাডাৰৰ পৰা হাত সাৰিবলৈ দীপাংকৰ বৰ্মনে অষ্ট্ৰেলিয়ালৈ পলায়ন কৰা বুলি চৰ্চা চলি থকাৰ মাজতে আজি গোৱাত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাত এয়া অসম আৰক্ষীৰ সফলতা হিচাপে বিবেচিত হৈছে। কাইলৈ গোৱাৰ স্থানীয় আদালতত হাজিৰ কৰাই শীঘ্ৰে অসমলৈ লৈ অনা হ'ব প্ৰবঞ্চক বৰ্মনক। ট্ৰেডিং কেলেংকাৰীৰ নায়ক দীপাংকৰ বৰ্মনে প্ৰায় দুমাহ ধৰি পলাতক হৈ আছিল। বৰ্মনৰ বিৰুদ্ধে কেইবাখনো ৰাজ্যত ডি.বি ষ্টক নামৰ কোম্পানীৰ এজেণ্ট নিয়োগ কৰি ধন সংগ্ৰহৰ অভিযোগ আছে। আন আন ৰাজ্যৰ আৰক্ষীয়েও বৰ্মনক জিম্মাত বিচৰাৰ সম্ভাৱনা আছে। ইপিনে পলায়ন কৰি থকা অৱস্থাতে ২১ অক্টোবৰত গুৱাহাটী আৰক্ষীয়ে পিতৃ-মাতৃ চবিন বৰ্মন, দীপালি তালুকদাৰ আৰু চিএ মহেশ আগৰৱালাক গ্ৰেপ্তাৰ কৰি সোধ-পোছৰ অন্তত আদালতত হাজিৰ কৰোৱাত আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। দীপাংকৰে পিতৃ-মাতৃৰ একাউণ্টৰ জৰিয়তে কোটি কোটি টকাৰ লেনদেন কৰাৰ তথ্য লাভ কৰিছিল পাণবজাৰ আৰক্ষীয়ে। ধন লেন-দেনৰ সঠিক তথ্য দিব নোৱাৰাত আৰক্ষীয়ে পিতৃ-মাতৃ আৰু চিএক গ্ৰেপ্তাৰ কৰিছিল। উল্লেখ্য যে, মহানগৰীৰ উলুবাৰীত ডি.বি ষ্টক ব্ৰকিং কনছালটেন্সী নামৰ বিত্তীয় প্ৰতিষ্ঠান খুলি কোটি কোটি টকা লুণ্ঠন কৰি পলাতক হৈ আছিল প্ৰৱঞ্চক দীপাংকৰ বৰ্মন। আৰক্ষীয়ে দীপাংকৰ বৰ্মনক বিচাৰি প্ৰায় দুকুৰি দিন অভিযান চলাই আহিছিল। কেবাখনো বিলাসী বাহন জব্দ কৰিছে। অসমত পোন প্ৰথমে ট্ৰেডিং কেলেংকাৰীত নাম সাঙোৰ খাইছিল দীপাংকৰ বৰ্মনৰ নাম। ট্ৰেডিঙৰ নামত বিভিন্ন লোকৰ পৰা কেইবা কোটি টকা সংগ্ৰহ কৰিছিল দীপাংকৰে। কিন্তু সেই টকা সঠিক ঠাইত বিনিয়োগ নকৰি লাহ-বিলাহত উৰুৱাই দিছিল। দামী দামী গাড়ী কিনিছিল। তাৰ পাছতে প্ৰৱঞ্চনাৰ কথা পোহৰলৈ অহাত দীপাংকৰে পলায়ন কৰে। ২০১৮ত ডি.বি ষ্টক ব্ৰকিং নামৰ কাৰ্যালয় বহুওৱা দীপাংকৰৰ বিৰুদ্ধে শতাধিক লোকে পল্টনবজাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। ইফালে গোৱাৰ সমান্তৰালভাৱে ডিবি ষ্টকৰ নলবাৰীৰ কাৰ্যালয়তো চিবিআইএ আজি অভিযান চলাই। কাৰ্যালয়টোত অভিযান চলাই জব্দ কৰে বহু নথি-পত্ৰ। চিবিআইক সহযোগ কৰে প্ৰৱঞ্চক দীপাংকৰৰ খুৰাকে। উল্লেখ্য যে, এই ট্ৰেডিং কেলেংকাৰীত প্ৰথমেই নাম সাঙোৰ খাইছিল দীপাংকৰ বৰ্মনৰ। বৰ্মনৰ ডিবি ষ্টকৰ প্ৰৱঞ্চনাৰ কথাই প্ৰথমে পোহৰলৈ আহিছিল যদিও পিছত ট্ৰেডিং কেলেংকাৰীৰ সমগ্ৰ বিষয়টো চুমিকেন্দ্ৰিক হৈ পৰে। ইয়াৰে সুযোগ লৈ অতি সহজে অসমৰ পৰা পলায়ন কৰিছিল দীপাংকৰ বৰ্মনে। নিজে কোন ঠাইলৈ পলাই গৈছে তাক লৈ আৰক্ষীকো বিভ্ৰান্ত কৰিবৰ বাবেই নিজা মানুহৰ জৰিয়তে অষ্ট্ৰেলিয়া, মালয়েছিয়া আদি দেশলৈ পলাই যোৱাৰ সম্ভাৱনা থকাৰ কথাও প্ৰকাশ কৰাই আহিছিল দীপাংকৰ বৰ্মনে। সেইবোৰলৈ চাই বৰ্মনৰ কোনো উচ্চ পৰ্যায়ৰ আমোলা-বিষয়াৰ সৈতে সু-সম্পৰ্ক আছিল বুলিও বু-বু-বা-বা চলিছে। ইয়াৰ মাজতে বিগত কেবামাহো ধৰি অভিযান চলি থকাৰ অন্তত অৱশেষত আজি বিদেশৰ পৰিৱৰ্তে দেশৰ মাটিতে গোৱাত দীপাংকৰ বৰ্মন ধৰা পৰাৰ খবৰে চাঞ্চল্যৰ সৃষ্টি কৰিছে। ধৰা পৰাৰ সময়ত হাঁহি হাঁহি তদন্তকাৰী বিষয়াসকলৰ সৈতে উঠা ফটো এখনো ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছে। আনহাতে ট্ৰেডিং কেলেংকাৰীৰ আৰম্ভ কৰাৰ পৰা কেৱল টকাৰ পিছতে দৌৰি থকা দীপাংকৰে নিজৰ বেগ খুলি আৰক্ষীক গণি গণি টকাৰ বাণ্ডিল উলিয়াই দিয়া বিষয়টোৱেও নেটিজেনসকলৰ মাজত ব্যাপক চৰ্চা চলা দেখা গৈছে।

# নামনিত ‘এক্টিভ’ সৰ্বা! সোণোৱালৰ নেতৃত্বত গুৱাহাটীত কৃষ্ণগুৰুৰ বৃহৎ অনুষ্ঠান

## কৃষ্ণগুৰুৰ অধিৱেশনত শান্তি-সমন্বয়ৰ চৰ্চা, উপ-ৰাষ্ট্ৰপতিৰ অংশগ্ৰহণ



**ই-সংবাদ, ২৭ অক্টোবৰঃ** বিধানসভাৰ নিৰ্বাচনলৈ মাজত মাথো ১৬ মাহ। লোকসভাৰ নিৰ্বাচনৰ দিন ঘোষণাৰ দুই মাহক বাদ দি বিগত প্ৰায় ৪৫ মাহ ধৰি অসমত একপ্ৰকাৰ নিষ্ক্ৰিয় হৈ আছিল প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল। অসম বিজেপিৰ সদস্যভৰ্তি অভিযান, নিযুক্তি পত্ৰ বিতৰণ, উপ-নিৰ্বাচনৰ বৈঠক, বশিষ্ঠৰ কাৰ্যালয়ৰ বহু কৰ্মশালা, হাৰিয়ানাৰ মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ সময়ত গুৱাহাটীত নাছিল সৰ্বানন্দ সোণোৱাল। দিল্লীৰ পৰা পোনে পোনে ডিব্ৰুগড়ত উপস্থিত হৈ উজনিৰ কাৰ্যসূচী সমাপণ কৰি দিল্লীলৈ উৰা মাৰিছিল। অসম ৰাজ্যিক বিজেপিৰ অফিচিয়েল ফেচবুক পেজ, এক্সৰ হেণ্ডলত সৰ্বানন্দ সোণোৱালাৰ ফটো নাই বুলিয়েই ক’ব পাৰিব। ফেচবুক পেজ, এক্সৰ হেণ্ডলত ভৰি আছে মুখ্যমন্ত্ৰীৰ ফটো। কিন্তু হঠাতে তৎপৰতা বৃদ্ধি কৰিছে সৰ্বানন্দ সোণোৱালে। দিল্লীত উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ সমাজ, অন্যান্য সংগঠনৰ সৈতে সাক্ষাৎ কৰি আলোচনাত মিলিত হৈ থকাৰ লগতে লাহে লাহে সৰ্বানন্দ সোণোৱালে অসমত নিজৰ ভেটি শক্তিশালী কৰিবলৈ তৎপৰ হৈছে। অসমৰ বৃহৎ ধৰ্মীয় অনুষ্ঠান ‘কৃষ্ণগুৰু’ৰ আন্তৰ্জাতিক আধ্যাত্মিক যুৱ সমাজৰ অধিবেশন গুৱাহাটীত অনুষ্ঠিত কৰিছে। এই অনুষ্ঠানৰ মুখ্য পৃষ্ঠপোষক হৈছে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল। আজি অসমৰ লগতে পশ্চিমৰ পৰা অহা কেইবা হাজাৰ লোকৰ উপস্থিতিত মহানগৰীৰ খানাপাৰাত অনুষ্ঠিত কৃষ্ণগুৰুৰ আন্তৰ্জাতিক আধ্যাত্মিক যুৱ সমাজৰ অধিৱেশনত সৰ্বানন্দ সোণোৱালক সক্ৰিয় দেখা যায়। জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে এই অধিবেশনত হাজাৰ হাজাৰ উপস্থিতিয়ে খানাপাৰা লোকেলোকাৰণ্য পৰে। কৃষ্ণগুৰুৰ ভক্তসকলে প্ৰভু গণ্য কৰা প্ৰেমানন্দ প্ৰভু আৰু ভক্তি মাতৃ কুন্তলা পাটোৱাৰী গোস্বামী উপস্থিতি থাকে। অধিবেশনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে উপ-ৰাষ্ট্ৰপতি তথা ৰাজ্যসভাৰ উপাধ্যক্ষ জগদীপ ধনখৰে অসমৰ কৃষ্টি-সংস্কৃতি তথা আধ্যাত্মিকতাক ভূয়সী প্ৰশংসা কৰে। জগদীপ ধনখৰে উত্তৰ-পূৰ্বাঞ্চলৰ লগতে সমগ্ৰ ভাৰত আৰু বিশ্ববাসীক কৃষ্ণগুৰুৱে আধ্যাত্মিকতা আৰু শান্তি-সমন্বয়ৰ পথ প্ৰদৰ্শন কৰি আহিছে বুলি কয়। কৃষ্ণগুৰুৰ ভক্তসকলক ভূয়সী প্ৰশংসা কৰি ধনকৰে কয় যে শান্তিৰ হকে বাণী প্ৰচাৰ কৰা কাৰ্য আৰু যুৱ সমাজৰ বাবে চিন্তা কৰাটো আদৰণীয়। ধনখৰে মুকলি অনুষ্ঠিত হোৱাৰ পূৰ্বে খোল বাদন কৰি আনন্দ অনুভৱ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়েও অধিবেশনত উপস্থিত থাকি কৃষ্ণগুৰু প্ৰভুৱে কৃষ্ণ ভকতিৰ মাধ্যমেৰে শান্তিপূৰ্ণ, প্ৰেমময়, বৈষম্যহীন এখন সমাজৰ পোষকতা কৰিছিল বুলি উল্লেখ কৰা। সৰ্বমংগলৰ হকে আজীৱন সেৱা আগবঢ়াই পুণ্য অসমভূমিক মহিমামণ্ডিত কৰি থৈ গৈছে বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰীয়ে। সৰ্বানন্দ সোণোৱালে মুকলি সভাত অংশ লৈ কয় যে পৰমগুৰু কৃষ্ণগুৰু ঈশ্বৰৰ অম্লান সাৰুৱা কথাই যুৱপ্ৰজন্মৰ চৰিত্ৰ গঠনৰ লগতে সমাজৰ চাৰিত্ৰিক দিশটো সবল কৰাত গুৰুত্বপূৰ্ণ দিছিল। আধ্যাত্মিকতা, সমন্বয় আৰু ভক্তিৰসৰ বৰ্ণাঢ্য সংমিশ্ৰণে হৈছে কৃষ্ণগুৰুৰ ৰূপৰেখা। যুৱশক্তিক মহাশক্তি আখ্যা দি সোণোৱালে আৰু কয় যে যুৱ সমাজৰ আধ্যাত্মিক, সাংস্কৃতিক উন্নয়নৰ লগতে সামগ্ৰিক সবলীকৰণে এখন শক্তিশালী ৰাষ্ট্ৰ নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। দ্বি-বাৰ্ষিক অধিৱেশনৰ পৰা শান্তি-সমন্বয়, ভাতৃত্ববোধ, যুৱ সবলীকৰণৰ বাৰ্তা কঢ়িয়াই নিবলৈ আহ্বান জনাই সোণোৱালে। অধিবেশনত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰৰ লগতে সহধৰ্মিণী সুদেশ ধনখৰ, ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, বিটিআৰ প্ৰধান প্ৰমোদ বড়ো, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ডাঃ ৰণোজ পেগু, যোগেন মহন, ইউজি ব্ৰহ্ম, ৰণজিৎ কুমাৰ দাস, অতুল বৰা, কেশৱ মহন্ত, জয়ন্ত মল্ল বৰুৱা, সঞ্জয় কিষাণ, বিমল বড়া উপস্থিত থাকে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# বিজেপি কৰ্মী বিপুল শইকীয়াৰ মৃত্যুৰ বাবে জগৰীয়া মুখ্যমন্ত্ৰী হিমন্তঃ প্ৰদেশ কংগ্ৰেছ

## ‘ছ’চিয়েল মিডিয়া ৱাৰ’ আৰম্ভ, হিমন্তক ক্ষমা খুজিবলৈ জনালে দাবী

**ই-সংবাদ, ২৭ অক্টোবৰঃ** চামগুৰিৰ সন্দেহজনক বিজেপি কৰ্মীৰ হত্যাকাণ্ডক লৈ আৰম্ভ হৈছে ৰাজনীতি। শাসক বিজেপি আৰু মুখ্য বিৰোধী কংগ্ৰেছৰ মাজত বাকযুদ্ধ আৰু 'এক্স ৱাৰ' আৰম্ভ হোৱা পৰিলক্ষিত হৈছে। চামগুৰিৰ বিজেপি কৰ্মী বিপুল শইকীয়াৰ মৃত্যুৰ বাবে কংগ্ৰেছৰ গুণ্ডা জড়িত বুলি স্বয়ং মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক্সত পোষ্ট শ্বেয়াৰ কৰিছে। আনহাতে বিপুল শইকীয়াৰ হত্যাকাণ্ডৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা জগৰীয়া বুলি প্ৰত্যুত্তৰ দিছে কংগ্ৰেছে। এয়া মুখ্যমন্ত্ৰীৰ আইন-শৃংখলাৰ সম্পূৰ্ণ বিফলতা বুলি আক্ৰমণ কৰিছে কংগ্ৰেছে। কংগ্ৰেছ-বিজেপি কৰ্মীৰ সংঘৰ্ষ আৰু বিজেপি কৰ্মী সাংবাদিকৰ আক্ৰমণৰ-প্ৰত্যাক্ৰমণৰ অভিযোগৰ মাজতে চামগুৰি সমষ্টিৰ বাজিয়াগাঁৱৰ বিজেপি কৰ্মী বিপুল শইকীয়াৰ মৃত্যু হৈছে। সাংবাদিকৰ সৈতে প্ৰথমে তৰ্কা-তৰ্কি, তাৰ পাছতে হতাহতিৰ সময়তে এজন সাংবাদিকে মাইক্ৰফোনেৰে আঘাত কৰাত বিপুল শইকীয়া নিহত হোৱাৰ অভিযোগ উত্থাপন হৈছে। কিন্তু বিজেপিৰ দল ৰাজ্যখনৰ শীৰ্ষ নেতা তথা ৰাজ্যৰ গৃহবিভাগৰো দায়িত্বত থকা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছী গুণ্ডাই বিপুল শইকীয়াক হত্যা কৰা বুলি অভিযোগ আনিছিল। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে কৈছিল যে চামগুৰিত কংগ্ৰেছ দলৰ গুণ্ডা বাহিনীয়ে হিংসাত্মক আক্ৰমণেৰে হত্যা কৰা অসম প্ৰদেশ বিজেপিৰ চামগুৰিৰ সন্মানীয় কাৰ্যকৰ্তা বিপুল শইকীয়াৰ আত্মাৰ সদগতি কামনা কৰিছো। খবৰটিত যথেষ্ট ব্যথিত হৈছো। এই মৃত্যুৰ বাবে জগৰীয়াসকলক নিশ্চিতভাৱে উচিত শাস্তি প্ৰদান কৰা হ'ব। নিৰ্বাচনৰ সময়ত এনে কাৰ্য সংঘটিত কৰা তথা নিৰ্বাচন ব্যৱস্থাৰ প্ৰতি অনাস্থা দেখুওৱাতো কংগ্ৰেছীসকলৰ ধৰ্ম। এই ঘটনাই কংগ্ৰেছ দলৰ কুখ্যাত চৰিত্ৰক পুনৰবাৰ উদঙাই দিলে। আমাৰ কাৰ্যকৰ্তাৰ এই বলিদান আমি অথলে যাবলৈ নিদিওঁ, দোষীক উচিত শাস্তি দিবলৈ আমি অংগীকাৰবদ্ধ বুলি কৈ মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত পোষ্ট দিয়াত কংগ্ৰেছে প্ৰত্যুত্তৰ দিছে মুখ্যমন্ত্ৰীক। একেটা পোষ্ট মুখ্যমন্ত্ৰীয়ে এক্সতো দিছিল। এক্সৰ পোষ্ট ৰি-পোষ্ট কৰি কংগ্ৰেছে হিমন্ত বিশ্ব শৰ্মাক প্ৰত্যুত্তৰ দি কেইবাটাও প্ৰশ্ন উত্থাপন কৰিছে। অসম কংগ্ৰেছৰ অফিচিয়েল এক্স হেণ্ডলৰ পৰা মুখ্যমন্ত্ৰীক প্ৰত্যুত্তৰ দি কয় যে কংগ্ৰেছে ‘অহিংসাই পৰম ধৰ্ম’ত বিশ্বাস কৰে। আমি বিশ্বাস কৰো যে এই দুৰ্ভাগ্যজনক ঘটনাত আইনে নিজ ব্যৱস্থা গ্ৰহণ কৰিব। কংগ্ৰেছে মুখ্যমন্ত্ৰী উত্তৰ দি কয় যে ২৪ অক্টোবৰত কংগ্ৰেছৰ সমদলত আক্ৰমণ কৰা বিজেপিৰ গুণ্ডাৰ বিৰুদ্ধে কংগ্ৰেছ কৰ্মীয়ে প্ৰত্যুত্তৰেই দিয়া নাছিল। বিপুল শইকীয়াৰ ভাতৃয়ে এজন সাংবাদিকৰ বিৰুদ্ধেহে এজাহাৰ দাখিল কৰিছে। হিমন্ত বিশ্ব শৰ্মাৰ নাম উল্লেখ কৰি কংগ্ৰেছে পুনৰ কয় আপুনি দৰাচলতে এই দুৰ্ভাগ্যজনক মৃত্যুৰ বাবে একমাত্ৰ জগৰীয়া। কিয়নো ১৫ অক্টোবৰৰ বিজেপিৰ গুণ্ডা কৰ্মীয়ে মহিলা বিধায়কা শিৱামণি বৰা আৰু আৰু আন সকলক আক্ৰমণ কৰাৰ পাছতে এজাহাৰ দাখিল কৰা হৈছিল। একাধিক এজাহাৰ দিয়াৰ পিছতো কোনো পদক্ষেপ নোলোৱাত ২৪ অক্টোবৰত বিজেপিৰ গুণ্ডাসকলে পুনৰ আক্ৰমণ কৰে। অসম আৰক্ষী আৰু আৰু চিআৰপিএফ উপস্থিত আছিল। এয়া আপোনাৰ আইন-শৃংখলাৰ সম্পূৰ্ণ বিফলতা। আপুনি হিংসা বন্ধ কৰিব পাৰিলেহেঁতেন। কিন্তু এনে লাগিছে যে আপুনি কেৱল আপোনাৰ ৰাজনৈতিক মাইলেজৰ বাবে এনে ধৰ্ষণৰ ঘটনা সংঘটিত হোৱাৰ বাবে অপেক্ষা কৰি আছিল। এয়া লজ্জাজনক! আমি এই ঘটনাৰ উচ্চ ন্যায়ালয়ৰ এজন বৰ্তমানৰ ন্যায়াধীশৰ দ্বাৰা ন্যায়িক তদন্তৰ দাবী জনাইছো। এই মৃত্যুৰ দায়িত্ব মুখ্যমন্ত্ৰীয়ে ল'ব লাগিব। অসমৰ ৰাইজক ক্ষমা বিচাৰিব লাগিব আৰু হিংসা বন্ধ কৰিবলৈ তাৎক্ষণিক ব্যৱস্থা ল'ব লাগিব। এজাহাৰৰ এটা প্ৰতিলিপি সংলগ্ন কৰিকঠোৰ ভাষাৰে মুখ্যমন্ত্ৰীক প্ৰত্যুত্তৰ দিয়ে কংগ্ৰেছে। ইপিনে মুখ্যমন্ত্ৰীৰ ভাষ্যৰ বিপৰীত স্থিতি লৈ নিহত বিজেপি কৰ্মী বিপুল শইকীয়াৰ ভাতৃ বাবুল শইকীয়াই এজন সাংবাদিক বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। ভাতৃ বাবুল শইকীয়া আৰু চামগুৰিৰ স্থানীয় বিজেপি কৰ্মী এজনে সাংবাদিকৰ নাম উল্লেখ কৰি সাংবাদিকৰ সৈতে হোৱা সংঘৰ্ষৰ সময়তে সাংবাদিকজনে মাইক্ৰফোনেৰে আঘাত কৰাত বিপুল শইকীয়া নিহত হোৱাৰ দাবী কৰিছে। নগাঁও আৰক্ষীয়ে এই কাণ্ডত জড়িত এজন লোকক চিনাক্ত কৰা বুলি জানিব পৰা গৈছে। শীঘ্ৰে সোধা-পোছাৰ বাবে আটক কৰা হ'ব পাৰে। চামগুৰি আৰক্ষী থানাত বিজেপি কৰ্মী বিপুল শইকীয়াৰ পৰিয়ালে দাখিল কৰা এজাহাৰৰ ভিত্তিত ২৬৯/২৪ নম্বৰত গোচৰ ৰুজু কৰিছে।

# দীপান্বিতাৰ বতৰতো মৃৎশিল্পীৰ মুখত নাই হাঁহি

**জয়ন্ত মুদৈ, বেবেজীয়া, ২৪ অক্টোবৰঃ** বৰ্তমানে ৰাজ্যৰ সৰ্বপ্ৰান্ততে অত্যাৱশ্যকীয় সামগ্ৰীৰ সীমাহীন মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক জ্বলা-কলা খুওৱাৰ সময়তে কিন্তু পোহৰৰ উৎসৱ দীপান্বিতাই কঢ়িয়াই আনিছে মৃৎশিল্পীসকললৈ ক্ষন্তেকৰ বাবে হ'লেও আশাৰ বতৰা। কিয়নো দুৰ্গোৎসৱৰ পিছত এতিয়া ৰাইজ সাজু হৈছে পোহৰৰ উৎসৱটি উদযাপনৰ নিমিত্তে। সাধাৰণতে বছৰৰ আন সময়ছোৱাতকৈ দীপান্বিতাৰ সময়ত মাটিৰ চাকি, মলা, ধূনাবাতিৰ চাহিদা অধিক হোৱা দেখা যায়। ঘাইকৈ ব্যাপক হাৰত বিক্ৰী হয় হাজাৰ হাজাৰ মাটিৰ চাকি। গতিকে এই সময়খিনিত অধিক ব্যস্ততা বাঢ়ে মৃৎ শিল্পৰে জীৱিকা অৰ্জন কৰা লোকসকলৰ। আনকি মূৰ তুলি চাবলৈকো আহৰি নাথাকে এইসকলৰ। গতিকে এইবাৰো বহু আশা বুকুত বান্ধি নিজৰ কৰ্মত লাগি পৰিছে এইসকল লোক। পিছে একাংশ মৃৎ শিল্পীয়ে দুখেৰে প্ৰকাশ কৰা মতে, তেওঁলোকে বছৰৰ সকলো সময়তে মৃৎ পাত্ৰ তৈয়াৰ কৰাত ব্যস্ত থাকে যদিও দিনকদিনে মৃৎ পাত্ৰৰ ব্যৱহাৰ হ্ৰাস পাই অহাত এনে জীৱিকাৰে পৰিয়াল পোহ-পাল দিয়াটো যথেষ্ট কষ্টসাধ্য হৈ পৰিছে। বছৰৰ মাত্ৰ দীপাৱলীৰ সময়ত মাটিৰ চাকিৰ আৰু ভোগালী বিহুৰ সময়তহে মাটিৰ টেকেলী, চৰু আদিৰ বজাৰ ভাল হয়। কাজেই, উপৰি পুৰুষৰ দিনৰ বৃত্তিটোক সাৰটি ৰাখি চৰম দাৰিদ্ৰতাৰ মাজেৰে কষ্টকৰ জীৱন কটোৱা এইসকল লোকক অভাৱ-অনাটনে জুৰুলা কৰিলেও দেৱালীৰ আগমনে সাময়িকভাৱে তেওঁলোকৰ মুখলৈ আনে সজীৱতা তথা এমোকোৱা সুখৰ প্ৰশান্তিৰ হাঁহি আৰু যুদ্ধংদেহি মনোভাৱেৰে নামি পৰে নিজৰ কৰ্মত। জানিব পৰা মতে, এনে প্ৰতিটো পৰিয়ালে দীপান্বিতাৰ প্ৰাকক্ষণত দিন-ৰাতি একাকাৰ কৰি পাঁচৰ পৰা দহ হাজাৰ পৰ্যন্ত মাটিৰ চাকি নিৰ্মাণ কৰে আৰু ইয়াক বিক্ৰী কৰিয়েই উলিয়াবলগীয়া হয় পৰৱৰ্তী চাৰি-পাঁচ মাহৰ যাৱতীয় খৰছ। কিন্তু এইবোৰ সামগ্ৰী প্ৰস্তুত কৰাৰ ক্ষেত্ৰত মৃৎশিল্পীসকল প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে কেঁচা মাটিৰ বাবে। কিয়নো চাহিদা অনুপাতে প্ৰয়োজন হোৱা কেঁচা মাটিৰ অভাৱে নিৰ্মাণ কাৰ্যত ব্যাপক সমস্যাৰ সৃষ্টি কৰিছে। যাৰ পৰিণতিত স্বাভাৱিকতেই মৃৎ শিল্পৰ উৎপাদনত স্থবিৰতা আহি পৰা দেখা গৈছে। পিছে এইক্ষেত্ৰত চৰকাৰে মৃৎশিল্পীসকলক সকাহ দিয়াৰ অৰ্থে বিশেষ গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উঠিছে। সি যি নহঁওক, মানুহৰ জীৱনত সততে প্ৰয়োজন হোৱা মৃৎ শিল্পৰ অতি প্ৰয়োজনীয় কেঁচা মাটিকে ধৰি আন আনুষংগিক সামগ্ৰীবোৰ যাতে দুৰ্লভ বস্তুত পৰিণত নহয় আৰু সামগ্ৰীবোৰ মৃৎশিল্পীসকলে সহজতে পাব পাৰে চৰকাৰে তাৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাটো নিতান্তই জৰুৰী বুলি সচেতন মহলে মন্তব্য কৰিছে।

# শুৱালকুছি সাৰ্বজনীন ৰাস মহোৎসৱ উদযাপনক লৈ অনিশ্চয়তা!

**ই-সংবাদ শুৱালকুছি, ২৭ অক্টোবৰঃ** দেৱালী, কালী পূজাৰ পিছতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত উদযাপন হ'ব ভগৱান শ্ৰী শ্ৰী কৃষ্ণ ৰাস মহোৎসৱ। ইতিমধ্যে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৰাস উদযাপন সমিতিয়ে ৰাস মহোৎসৱৰ প্ৰস্তুতি আৰম্ভ কৰিছে । ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে শুৱালকুছিতো মহাবাহু ব্ৰহ্মপুত্ৰৰ সেউজ বালিচৰত বিগত ৩৩ বছৰ ধৰি উদযাপন হৈ আহিছে শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ। এইবেলিও ৰাস মহোৎসৱ উদযাপনৰ বাবে সাধাৰণ সভাৰ জৰিয়তে গঠন কৰা হৈছে শুৱালকুছি সাৰ্বজনীন ৰাস মহোৎসৱ উদযাপন সমিতি। যোৱা ২০ অক্টোবৰত শুৱালকুছি যুৱৰাজ বিবাহ ভৱনত অনুষ্ঠিত হয় ২০২৪-২৫ বৰ্ষৰ ৰাস উদযাপন সমিতিৰ গঠন সন্দৰ্ভত সাধাৰণ সভা। এই সাধাৰণ সভাতে আগন্তুক শুৱালকুছি ৰাস মহোৎসৱ উদযাপনৰ বাবে ৰাজীৱ দাসক সভাপতি হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হয়। কিন্তু আগন্তুক শুৱালকুছি সাৰ্বজনীন ৰাস মহোৎসৱ উদযাপন সমিতিৰ সভাপতি আৰু এগৰাকী উপ-সভাপতি নিৰ্বাচনত ব্যাপক অনিয়ম কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে শুৱালকুছি ৰাস মহোৎসৱ উদযাপন সমিতিৰ কেইবাগৰাকীও প্ৰাক্তন সভাপতি তথা বিষয়ববীয়াই। আজি সন্ধিয়া শুৱালকুছি শ্ৰীশ্ৰী শংকৰদেৱ ধাম প্ৰাংগণত শুৱালকুছি সাৰ্বজনীন শ্ৰীকৃষ্ণ ৰাস মহোৎসৱ উদযাপন সমিতিৰ প্ৰাক্তন বিষয়াববীয়াই আহ্বান কৰা এখন সংবাদমেলত এই অভিযোগ উত্থাপন কৰে। সংবাদমেলত অভিযোগ কৰি কয় যে শুৱালকুছি ৰাস উদযাপন সমিতিৰ প্ৰস্তাৱ অনুসৰি যি সমিতিয়ে ৰাস মহোৎসৱৰ শেষৰ দিনটোৰ পৰা তিনি মাহৰ ভিতৰত সাধাৰণ সভা আমন্ত্ৰণ কৰি বিত্তীয় হিচাপ দাখিল কৰিব নোৱাৰে, সেই সমিতিখনৰ কোনো বিষববীয়া পৰৱৰ্তী ৰাস উদযাপন সমিতিৰ বিষয় বাবত থাকিব নোৱাৰে। এই প্ৰস্তাৱৰ মৰ্মে, বিগত প্ৰায় ১৫ টা বছৰে বিগত সমিতিসমূহে এই প্ৰস্তাৱ কাৰ্যকৰী কৰি আহিছে।

## আম আদমীৰ ভাতৃ সংগঠন যুৱ শক্তিয়ে কপালেঁ গুৱাহাটী

# মূল্যবৃদ্ধিত অতিষ্ঠ অসম! গণেশগুৰিত আপৰ প্ৰতিবাদ

**ই-সংবাদ, ২৭ অক্টোবৰঃ** আম আদমী পাৰ্টীৰ ভাতৃ সংগঠন যুৱ শক্তিয়ে আকাশলংঘী মূল্যবৃদ্ধিৰ বিৰুদ্ধে গুৱাহাটী মহানগৰীত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। মূল্যবৃদ্ধি ৰোধত ডঃ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ বিফল হোৱাৰ অভিযোগ উত্থাপন কৰি আম আদমী পাৰ্টীৰ ভাতৃ সংগঠনে গণেশগুৰিত প্ৰতিবাদ সাব্যস্ত কৰে। বেনাৰ-পোষ্টাৰ হাতত লৈ চৰকাৰ বিৰোধী শ্ল'গানেৰে আপৰ নেতা-কৰ্মীয়ে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। গণেশগুৰিত সমৱেত হৈ আপৰ কেইবা শতাধিক নেতা-কৰ্মীয়ে সচিবালয় অভিমুখে যাত্ৰা কৰাবলৈ উদ্যত হয় যদিও আৰক্ষী বাধা দিয়ে। সেই সময়তে আৰক্ষীৰে হতা-হতি লাগে আপৰ নেত-কৰ্মী। আৰক্ষীয়ে বেনাৰ-পোষ্টাৰ কাঢ়ি নিব খোজাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। আপৰ নেতা-কৰ্মীক উৰণীয়া সেঁতুৰ তলত আৱদ্ধ কৰে। মূল্যবৃদ্ধি ৰোধ কৰক, স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰ কৰক, ঔষধৰ দাম বৃদ্ধি প্ৰত্যাহাৰ কৰি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। আপৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰৰ উপস্থিতিত প্ৰতিবাদ সাব্যস্ত কৰি অসমৰ ৰাইজ মূল্যবৃদ্ধিত অতিষ্ঠ হোৱা বুলি কৈ ৰাজ্য চৰকাৰ মূল্যবৃদ্ধি ৰোধত বিফল হোৱা বুলি অভিযোগ আনে। জীৱন দায়িনী ঔষধ, শাক-পাচলি মানুহে কিনি খাব নোৱৰাৰ সময়তে স্মাৰ্ট মিটাৰে সাধাৰণ মানুহক মাধমাৰ শোধোৱা বুলি অভিযোগ আনে ধানোৱাৰে। মনোজ ধানোৱাৰৰ কয় যে সামগ্ৰীৰ দাম বৃদ্ধিয়ে ৰাইজ অতিষ্ঠ। বিজেপি চৰকাৰে ৰাইজৰ কোনো সমস্যা সমাধান কৰিব পৰা নাই। চৰকাৰী হাস্পতালৰ মাচুল, জীৱন দায়িনী ঔষধৰ আকাশলংঘী মূল্যবৃদ্ধিত ৰোগীসকলে চিকিৎসা সেৱা গ্ৰহণ কৰিব পৰা নাই। শীঘ্ৰে আদানী গোটৰ স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰ কৰি পূৰ্বৰ মিটাৰ লগোৱাৰ দাবী জনায়।



গুৱাহাটীৰ বিমান বন্দৰত উপ ৰাষ্ট্ৰপতিৰ সৈতে মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল

# কেঁচাখাইতি শালত কাতি মাহৰ পূজাৰ আয়োজন

**ই-সংবাদ, ডুমডুমা, ২৭ অক্টোবৰঃ** তিনিচুকীয়া জিলাৰ ছেঁখোৱাঘাটস্থিত ঐতিহাসিক শ্ৰী শ্ৰী কেঁচাখাইতি শালত চলিত বৰ্ষৰ কাতি মাহৰ পূজাভাগ অহা ৩০ অক্টোবৰ, বুধবাৰে অনুষ্ঠিত হ'ব বুলি শাল পৰিচালনা সমিতিয়ে জানিবলৈ দিছে। পুৱা ১০ বজাত হ'বলগীয়া মূল পূজা ভাগৰ কাৰ্যসূচীত ভক্তপ্ৰাণ ৰাইজক যথাসময়ত উপস্থিত থাকি পূজা-অৰ্চনা আগবঢ়াবলৈ শাল পৰিচালনা সমিতিয়ে আহবান জনাইছে। উল্লেখ্য যে, প্ৰাগ ঐতিহাসিক কালৰে পৰা অতি জাগ্ৰত বুলি বিশেষ পৰিচিত এই শ্ৰী শ্ৰী কেঁচাখাইতি শালত প্ৰতিটো বিহুৰ লগত সংগতি ৰাখি বুধবাৰৰ দিন বিশেষত একোভাগ পূজা অনুষ্ঠিত হোৱাৰ বিপৰীতে চাহ বাগিচাৰ বাবু-মহৰী তথা শ্ৰমিক-কৰ্মচাৰীসকলৰ সুবিধাৰ্থে ডিচেম্বৰ (আঘোণ) মাহৰ দেওবাৰৰ দিন বিশেষত ব্ৰিটিছৰ দিনৰে পৰাই অনুষ্ঠিত হৈ অহা পূজা 'বাবু পূজা' বুলি সৰ্বজনবিদিত। য'ত অসমৰ বিভিন্ন প্ৰান্তৰ লগতে চুবুৰীয়া ৰাষ্ট্ৰ নেপালৰ পৰাও হাজাৰ-হাজাৰ ভক্ত আহি উপস্থিত হয়। প্ৰতি বছৰে এই ঐতিহাসিক 'বাবু পূজা'ত ভক্তৰ অত্যধিক সমাগমৰ হেতু বহু ভক্তই প্ৰতিটো বিহুৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা এই পূজালৈ আহি পূজা-অৰ্চনা আগবঢ়োৱা পৰিলক্ষিত হয়।

# 'কৰুণাধাৰা'ই মৰিগাঁৱত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত কৰিব বিশ্ব দিব্যাংগ দিৱস

**ই-সংবাদ, মৰিগাঁও, ২৭ অক্টোবৰঃ** জটিল ৰোগত আক্ৰান্ত দুৰ্বল শ্ৰেণীৰ লোকক জীয়াই থকাৰ সাহস আৰু সহায় কৰাৰ মানসেৰে 'কৰুণাধাৰা'ই চলাই আছে অবিৰত প্ৰচেষ্টা। এনে মানৱীয় প্ৰচেষ্টাৰ অংশ হিচাপে মৰিগাঁও জিলাৰো বহু কেইগৰাকী লোকক 'কৰুণাধাৰ'ই সহায়ৰ হাত আগবঢ়াই আহিছে। মৰিগাঁৱৰ মুহিলাহোম মডেল স্কুলত অৱস্থিত কৰুণাধাৰাৰ জিলা সহায়ক সমিতিৰ কাৰ্যালয়ত সভাপতি অশোক ডেকাৰ সভাপতিত্ব আজি অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত জটিল ৰোগত আক্ৰান্ত বৰভগীয়াৰ সুনীতি দেৱীৰ চিকিৎসাৰ্থে 'কৰুণাধাৰা'ই প্ৰেৰণ কৰা পোন্ধৰ হাজাৰ টকাৰ এখন চেক মৰিগাঁও জিলা কৰুণাধাৰা সহায়ক সমিতিয়ে পৰিয়ালৰ হাতত প্ৰদান কৰে। আনহাতে, আজিৰ গুৰুত্বপূৰ্ণ সভাতে 'কৰুণাধাৰা'ই এইবেলি মৰিগাঁৱত বিশ্ব দিব্যাংগ দিৱসটি কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত কৰিবলৈ গ্ৰহণ কৰা সিদ্ধান্তক আদৰণি জনায়। এইক্ষেত্ৰত জিলা সহায়ক সমিতিৰ হৈ সচিব মিলেশ্বৰ পাটৰে সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে। সভাত সহায়ক সমিতিৰ উপদেষ্টা ডাঃ পুণিৰাম পাটৰৰ লগতে বিৰিঞ্চি কুমাৰ শৰ্মা, জগদীশ নাথ, জিলা সাংবাদিক সংস্থাৰ সম্পাদক জিতুমণি নাথ, সাংবাদিক বিৰিঞ্চি কুমাৰ ডেকা, শিক্ষাবিদ অন্নদা দেৱী, সমাজকৰ্মী কমল ডেকা, মিলন ডেকা, সীমা বৰা আদি গুণী ব্যক্তিসকল উপস্থিত থাকে।



## বিহমাৰীত কেইবাঠাইতো নিৰ্বাচনী সভাত বিধায়ক মানৱৰ দাবী

# 'ডঃ হিমন্ত বিশ্ব শৰ্মা থকালৈকে অসম সুৰক্ষিত'

**ই-সংবাদ, বিশ্বনাথ, ২৭ অক্টোবৰঃ** অসমত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই যথেষ্ট উন্নয়ন কৰিছে। অসমৰ মুখ্যমন্ত্ৰী আজি সৰ্বভাৰতীয় নেতা হৈছে। তেওঁ ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰৰ নিৰ্বাচনত এতিয়া ব্যস্ত। অসমৰ সকলো জাতি-জনগোষ্ঠীৰ উন্নয়নৰ বাবে কাম কৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। অসমত, ডঃহিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হৈ থকালৈকে অসম সুৰক্ষিত থাকিব।- এই মন্তব্য লখিমপুৰৰ বিধায়ক মানৱ ডেকাৰ। আজি লখিমপুৰৰ বিধায়ক মানৱ ডেকাই পুৰা নিজবিহালীৰ নিৰ্বাচনী কাৰ্যালয়ত উপস্থিত হৈ ৰাইজৰ মাজত প্ৰধানমন্ত্ৰীৰ 'মন কী বাত' অনুষ্ঠানত অংশ গ্ৰহণ কৰে। তাৰ পিছত জনসাধাৰণৰ মাজত বিগত দিনত বিজেপি চৰকাৰে কৰা উন্নয়নমূলক কামৰ কথা উল্লেখ কৰি কংগ্ৰেছে স্বাধীনতা সংগ্ৰামী ছবি লাল উপাধ্যায়ক পাহৰি গৈছে বুলি মন্তব্য কৰে। তেওঁ কয় যে বিজেপিয়ে ছবি লাল উপাধ্যায়ৰ নামত অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন কৰিছে। তাদুপৰি গোৰ্খাসকলে বসুন্ধৰা আঁচনিত কোনো প্ৰমাণ পত্ৰ দিব নালাগে বুলি তেওঁ কয়। বিধায়কগৰাকীয়ে নিজ বিহালীৰ কেইবাটাও বুথত অংশগ্ৰহণ কৰে। আনহাতে, মন্ত্ৰী পীযুজ হাজৰিকা আৰু শোণিতপুৰ সাংসদ ৰঞ্জিত দত্তই বিহমাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰাজুলি, ননকে বিহমাৰী, ঠাণ্ডাপানীকে আদি কৰি কেইবাটাও ৱাৰ্ডত সভা অনুষ্ঠিত কৰি দিগন্ত ঘাটোৱাৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। সাংসদ ৰঞ্জিত দত্তই বিগত দিনত বিহমাৰী অঞ্চলত হোৱা উন্নয়নৰ কথা উল্লেখ কৰে। আনহাতে, বিহমাৰী আৰু বুৰৈ নদীৰ খহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱস্থা লোৱা হ'ব বুলি মন্ত্ৰী পীয়ুষ হাজৰিকাই ভাষণত উল্লেখ কৰে।

# টিপমীয়াত সোমেশ্বৰ দাসৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**ই-সংবাদ, বাহনা, ২৭ অক্টোবৰঃ** বিশিষ্ট সমাজকৰ্মী, এক শৰণ ভাগৱতী সমাজৰ প্ৰাক্তন উপাধ্যক্ষ, বন কৰ্মচাৰী পৰিষদৰ সহঃ সম্পাদক প্ৰয়াত সোমেশ্বৰ দাসৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আজি টিপমীয়াত অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে প্ৰয়াত সোমেশ্বৰ দাস যোৰহাট জিলাৰ উত্তৰ দিশৰ নিমাতি ভিতৰ ককিলা গাঁৱত ১৯৪১ চনৰ ১ জানুৱাৰীত জন্মগ্ৰহণ কৰে। পাছলৈ তেওঁ বৰহোলা অঞ্চলৰ শান্তিপুৰ টিপমীয়া গাঁৱত স্থায়ীভাৱে বসবাস কৰে। অঞ্চলটোৰ এগৰাকী আগশাৰীৰ বিশিষ্ট ব্যক্তি, অৱসৰপ্ৰাপ্ত আঞ্চলিক বন বিষয়া, এক শৰণ ভাগৱতী সমাজৰ প্ৰাক্তন উপাধ্যক্ষ, বন কৰ্মচাৰী পৰিষদৰ সহঃ সম্পাদক প্ৰয়াত সোমেশ্বৰ দাসৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ভাৰতীয় জনতা পাৰ্টিৰ অনুসূচীত জাতি মৰ্চাৰ যোৰহাট জিলাৰ উদ্যোগত বৰহোলা মণ্ডলৰ সহযোগত অনুষ্ঠিত কৰা হয়। এই উপলক্ষে প্ৰয়াত দাসৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে মৰ্চাৰ জিলা সভাপতি অনন্ত দাসে। প্ৰয়াত দাসৰ কৰ্মৰাজি সম্পৰ্কত বক্তব্য প্ৰদান কৰে তিতাবৰৰ অনুসূচীত জাতি উন্নয়ন ব'ৰ্ডৰ প্ৰাক্তন সভাপতি হেমেন দাসে। অনুষ্ঠানটিত মৰ্চাৰ যোৰহাট জিলা সভাপতি অনন্ত দাসে ভাষণত দাসৰ মৃত্যুত সমাজ-জীৱনৰ অপূৰণীয় ক্ষতি হোৱা বুলি উল্লেখ কৰে। অনুষ্ঠানত মৰ্চাৰ জিলা সাঃ সম্পাদক মনোজ কুমাৰ দাস, মণ্ডল সভানেত্ৰী প্ৰমিলা সোণোৱাল, সম্পাদক কৃষ্ণ দাস, মৰ্চাৰ সভাপতি ৰিতুল দাস, ভূপেন দাস, সম্পাদিকা সোণালী বৰা, দলৰ জনজাতি মৰ্চা, কৃষক মৰ্চা, যুৱ মৰ্চা, মহিলা মৰ্চাৰ বিষয়ববীয়া তথা বুথ সভাপতিসকল, প্ৰয়াত দাসৰ গুণগ্ৰাহী, পৰিয়ালৰ সদস্য আৰু অঞ্চলটোৰ ৰাইজ উপস্থিত থাকে।

## অসমৰ বৰ্ণিল সংস্কৃতিক পৰ্যালোচনা আৰু ঐতিহাসিক বিশ্লেষণ

# সৰুপথাৰ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ সম্পন্ন

**ই-সংবাদ, সৰুপথাৰ, ২৭ অক্টোবৰঃ** সৰুপথাৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সৌজন্যত তথা দৈয়াং ট্ৰাষ্টৰ অৰ্থ সাহায্যত আৰু বড়ো কছাৰী উন্নয়ন পৰিষদ তথা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত ‘দৈয়াং-ধনশিৰি উপত্যকাৰ ইতিহাস, প্ৰত্নতত্ত্ব, আৰ্থ-সামাজিক জীৱন, জনসাংখ্যিক পৰিকাঠামো’ শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ এক আলোচনা চক্ৰ কালি অনুষ্ঠিত হৈ যায়। বীৰ চিলাৰায় ছাত্ৰাবাসৰ ছাত্ৰসকলে মাংগলিক সুৰ সমলয়েৰে শুভাৰম্ভ কৰা উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ৰীতা বৰাই আদৰণী বক্তব্য দিয়াৰ সমান্তৰালকৈ দৈয়াং ট্ৰাষ্টৰ সভাপতি তথা সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে দিয়া উদ্বোধনী ভাষণত সমগ্ৰ উপত্যকাটোৰ ইতিহাসৰ গৌৰৱোজ্জ্বল গাঁথাৰ বিষয়ে উল্লেখ কৰে। সৰুপথাৰ সমজিলাৰ আয়ুক্ত অংকুৰ দাসৰ শুভেচ্ছামূলক ভাষণৰ পিছতেই আলোচনা চক্ৰটোৰ সাৰ বক্তব্য দাঙি ধৰে প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ প্ৰাক্তন সঞ্চালক তথা নাগালেণ্ড গ্ল'ৰেল ইউনিভাৰ্ছিটীৰ উপাচাৰ্য প্ৰত্নতত্ত্ববিদ ডঃ হেমেন্দ্ৰনাথ দত্তই। প্ৰায় ৯৫ জন গৱেষকৰ গৱেষণা পত্ৰৰে তিনিটা কাৰিকৰী সত্ৰত ৩৫ জনৰো অধিক গৱেষকে কালিৰ অনুষ্ঠানত গৱেষণা পত্ৰ পাঠ কৰে। সমল ব্যক্তি হিচাপে উক্ত আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে ক্ৰমে ইউৰোপীয়ান ড'ৰা ফেল'শ্বিপ প্ৰাপ্ত ইষ্টনিয়াৰ টাৰ্টু বিশ্ববিদ্যালয়ৰ লোকসংগীত বিভাগৰ গৱেষিকা আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ চেন্টাৰ ফৰ এন ই ষ্টাডিজৰ অধ্যাপিকা ডঃ পল্লৱী দত্ত আৰু জয়া গগৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ইতিহাসবিদ অমিয় কুমাৰ দাসে। উক্ত আলোচনা চক্ৰত বৰপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ পবিত্ৰ চুতীয়া, বড়ো কছাৰী উন্নয়ন পৰিষদৰ প্ৰদীপ স্বৰ্গীয়াৰী, দৈয়াং ট্ৰাষ্টৰ অজয় কানৈ তথা ধনশিৰি সংবাদিক সংস্থা আৰু ধনশিৰি আপকুৰ বিষয়ববীয়া উপস্থিত থাকে। দৈয়াং-ধনশিৰি উপত্যকাৰ বৰ্ণাঢ্য ইতিহাস আৰু বৰ্ণিল সংস্কৃতিক পৰ্যালোচনা আৰু ঐতিহাসিক বিশ্লেষণেৰে প্ৰজন্মক ঐতিহ্যৰ প্ৰতি আকৰ্ষিত কৰিবলৈ কৰা এনে বৌদ্ধিক প্ৰয়াসক সকলোৱে প্ৰশংসা কৰে।

## মৰিগাঁও জিলা কবি সন্মিলনৰ ‘চোতাল’ অনুষ্ঠিত

# বাবুমণি হীৰাৰ গল্প সংকলন ‘জোনাকৰ আলি দোমোজাত’ উন্মোচন




**ই-সংবাদ, মৰিগাঁও, ২৭ অক্টোবৰঃ** মৰিগাঁও জিলা কবি সন্মিলনে আজি জিলাখনৰ নটুৱাগাঁও- আঁহতগুৰিত সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যসূচী ‘চোতাল’ অনুষ্ঠিত কৰে। জিলা কবি সন্মিলনৰ প্ৰাক্তন সহকাৰী সম্পাদক বাবুমণি হীৰাৰ বাসগৃহৰ চোতালত অনুষ্ঠিত অনুষ্ঠানটিৰ আৰম্ভণিতে ‘বিস্ময়’ আলোচনীৰ প্ৰতিষ্ঠাপক সম্পাদক সদ্যপ্ৰয়াত শশী ফুকনলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। মানিপুৰ শাখা সাহিত্য সভাৰ উপ-সভানেত্ৰী অৰুণা দেৱীয়ে প্ৰয়াত শশী ফুকনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে। জিলা কবি সন্মিলনৰ সভাপতি অনিৰুদ্ধ ডেকাই সঞ্চালনা কৰা আজিৰ এই অনুষ্ঠানভাগিৰ শুভ উদ্বোধন কৰে সন্মিলনৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ভৰেন চন্দ্ৰ নাথে। এই অনুষ্ঠানৰ মাজতে মৰিগাঁও জিলা বাবুমণি হীৰাৰ গল্প সংকলন ‘জোনাকৰ আলি দোমোজা’ উন্মোচন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়াই। গ্ৰন্থ উন্মোচন কৰি শইকীয়াই কয় যে, এই গল্প সংকলনখনে পাঠকক নতুন চিন্তাৰ খোৰাক দিব। তদুপৰি তেওঁ কয় যে কাব্য সাহিত্যৰেহে মানুহে শিক্ষাৰ বীজ সিঁচিছিল। চোতাল অনুষ্ঠানে কাব্য সাহিত্যক এটা সুকীয়া মাত্ৰা দিব। অনুষ্ঠানত সদৌ অসম কবি সন্মিলনৰ সাংগঠনিক সম্পাদক মাধৱ চন্দ্ৰ ডেকা, মৰিগাঁও জিলা কবি সন্মিলনৰ উপ-সভাপতি জগদীশ নাথ, পত্ৰিকা সম্পাদক জয়ন্ত সাগৰ শইকীয়া, প্ৰাক্তন সম্পাদক নৱ ৰাজন, মানিপুৰ শাখা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ পাটৰ প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত কবি পৰেশ চৌধুৰী, বাবুমণি হীৰা, চেনেহী ডেকা, বাহাৰুল ইছলাম, দেৱজিৎ ডেকা, কল্পনা দেৱী, হেমলতা দেৱী, টুলুমণি দাস, অনিতা হাজৰিকা প্ৰমুখ্যে কেইবাগৰাকীও কবিয়ে কবিতা পাঠ কৰে। সদৌ অসম কবি সন্মিলনৰ কাব্যমন্ত্ৰৰে অনুষ্ঠানৰ সামৰণি পৰে।

# পূব দীঘেলী ৰতনপুৰত ৩০ কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন অনুষ্ঠান

**ই-সংবাদ, বৰমা, ২৭ অক্টোবৰঃ** টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত পূব দীঘেলী ৰতনপুৰত আজি সন্ধিয়া বৃহত্তৰ অঞ্চলটোৰ ৩০ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে অভিনন্দন জ্ঞাপন কৰা হয়। পূব দীঘেলী ৰতনপুৰস্থিত হিমালয়ান ব্লুজ কোম্পানীৰ স্বত্বাধিকাৰী বিশিষ্ট সমাজকৰ্মী মইনুল হকৰ পৃষ্ঠপোষকতাত ২০২৪ চনত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ষ্টাৰ অথবা ডিষ্টিংচন নম্বৰসহ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীক গামোচা, স্মাৰক, বহী, কলম আদিৰে অভিনন্দন জ্ঞাপন কৰা হয়। এই উপলক্ষে আয়োজিত সভাখনত সভাপতিত্ব কৰে দীঘেলী হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক হৰেন্দ্ৰ নাথ দাসে। সমাজকৰ্মী মইনুল হকে উদ্দেশ্য ব্যাখ্যা কৰা আৰু যুৱ সমাজকৰ্মী পিয়াৰ আলীয়ে আঁত ধৰা সভাখনত বিশিষ্ট অতিথি হিচাপে সমাজকৰ্মী কৰুণা কলিতা, দীঘেলী হাইস্কুলৰ প্ৰধান শিক্ষক যতীন্দ্ৰ নাথ বৰ্মন, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েচনৰ সভাপতি অজিত কুমাৰ শৰ্মা, বাপুজী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক নাছিৰুদ্দিন আহমেদ, নলবাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰবক্তা শংকৰ কুমাৰ দাস, সমাজকৰ্মী মইনুল হক আদিয়ে বক্তব্য আগবঢ়ায়। যুৱ সমাজকৰ্মী পিয়াৰ আলী আৰু চফিউল হকে আঁত ধৰা আৰু তনুজা বেগমে শলাগ জ্ঞাপন কৰা সভাখনত অঞ্চলটোৰ যথেষ্ট সংখ্যক অভিভাৱকে অংশগ্ৰহণ কৰে।

# ভাল্লা চ'কত দাউ দাউকৈ জ্বলিল মালবাহী ট্ৰাক

**ই-সংবাদ, বৰমা, ২৭ অক্টোবৰঃ** টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ভাল্লা চ'কত যোৱা নিশা প্ৰায় ৮ বজাত সংঘটিত হয় এক ভয়ংকৰ ঘটনা। ৰাজপথত চলন্ত অৱস্থাতে দাউ দাউকৈ জ্বলি উঠে ট্ৰাক। ভাৰতীয় খাদ্য নিগমৰ টিহুস্থিত ভঁৰালৰ পৰা নলবাৰী অভিমুখে গৈ থকা এ এছ-০১ ডি চি-৩৪৬৮ নম্বৰৰ মালবাহী ট্ৰাকখনত যান্ত্ৰিক বিজুতিৰ বাবে অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডত কথমপি প্ৰাণৰক্ষা পৰে ট্ৰাকখনৰ চালক আৰু হেণ্ডিমেনৰ। স্থানীয় ৰাইজ, টিহু আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীৰ তৎপৰতাত ট্ৰাকখনৰ জুই নিৰ্বাপিত কৰা হয়। ফলত ৰাষ্ট্ৰীয় ঘাইপথত বহু সময় ধৰি যাতায়াত ব্যাহত হয়।

## ৮০ বছৰ গৰকা শিক্ষানুষ্ঠানৰ চৌহদত উখল-মাখল পৰিৱেশ

# জাজৰি উচ্চতৰ মাধ্যমিক আৰ্দশ বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ

**ই-সংবাদ, বেবেজীয়া, ২৭ অক্টোবৰঃ** নগাঁও জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান জাজৰি উচ্চতৰ মাধ্যমিক আদৰ্শ বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহখনি ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হৈছে। দেশৰ স্বাধীনতাৰ পূৰ্বেই ১৯৪৪ চনতেই স্থাপন হোৱা তথা প্ৰজন্মৰ পিছত প্ৰজন্মই শৈক্ষিক দিশত উত্তৰণ ঘটাই সমাজৰ বিভিন্ন ক্ষেত্ৰত অৰিহণা দি অহা বিদ্যালয়খনৰ অধ্যয়ন কৰি যোৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়ৰ প্ৰাংগণত সমবেত হৈ পাৰ হৈ যোৱা মধুৰ শৈক্ষিক দিনবোৰৰ স্মৃতি ৰোমন্থন কৰাৰ মানসেৰে আজিৰে পৰা বিস্তৃত কাৰ্যক্ৰমণিকাৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহখনিৰ আয়োজন কৰিছে। সেয়ে পুৱাৰে পৰা ৮০ বছৰ গৰকা শিক্ষানুষ্ঠানখনৰ চৌহদত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অৱসৰপ্ৰাপ্ত আৰু বৰ্তমানৰ কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰী তথা অতিথিসকলৰ উপস্থিতিৰে একপ্ৰকাৰে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলনৰ পিছতে এটি বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। অৱসৰপ্ৰাপ্ত অধ্যক্ষা তথা কণ্ঠ শিল্পী অঞ্জলি কটকীয়ে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা শোভাযাত্ৰাত বেহাৰবাৰী আউট প'ষ্টৰ 'মোহন' খ্যাত অভিনেতা দ্বীপজ্যেতি কেওট আৰু অভিনেত্ৰী কিংকিনি ভটাচাৰ্যই ভাগ লয়। এই বৰ্ণিল শোভাযাত্ৰাই বৃহত্তৰ জাজৰি অঞ্চল উজলাই তোলে। বিয়লি গুৰুবন্দনা আৰু সতীৰ্থ সন্মিলনৰ লগতে সন্ধিয়া প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ ৰং-ধেমালিৰ সাংস্কৃতিক অনুষ্ঠান 'ৰামধেনু' অনুষ্ঠিত কৰা হয়। ইফালে, দেওবাৰে পুৱাৰ ভাগত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ আলোচনা চক্ৰ 'প্ৰজন্মৰ পৰা প্ৰজন্মলৈ যুৱ মানসিকতা আৰু সামাজিক দায়বদ্ধতা' আৰু দুপৰীয়া মুকলি কুইজৰ অনুষ্ঠান অনুষ্ঠিত হ'ব। সেইদৰে, বিয়লি অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত স্মৃতিগ্ৰন্থ 'এনাজৰী' উন্মোচন কৰা হ'ব। মুকলি সভাত নিদিষ্ট বক্তা হিচাপে আমন্ত্ৰণ কৰিছে সাহিত্যিক নন্দ সিং বৰকলা আৰু ইছমাইল হুছেইনক। সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী দীক্ষুৰ সংগীতানুষ্ঠানেৰে সমাৰোহখনিৰ সামৰণি পৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

# মৰিগাঁৱৰ হাবিবৰঙাবাৰীত নাথ সাহিত্য সমাৰোহৰ উদযাপন সমিতিৰ গঠন

**ই-সংবাদ, মৰিগাঁও, ২৭অক্টোবৰঃ** নাথ সাহিত্য সভা আৰু নাথ সাহিত্য সংস্কৃতি সন্মিলনৰ উদ্যোগত অহা ডিচেম্বৰৰ ১৩ আৰু ১৪ ডিচেম্বৰত দুদিনীয়াকৈ মৰিগাঁও হাবিবৰঙাবাৰীত অনুষ্ঠিত হ'বলগীয়া নাথ সাহিত্য সমাৰোহৰ আজি উদযাপন সমিতিখন গঠন কৰা হয়। হাবিবৰঙাবাৰী সাৰ্বজনীন ৰাস মন্দিৰত নাথ সাহিত্য সংস্কৃতি সন্মিলনৰ উপ-সভাপতি মৃণাল নাথৰ সভাপতিত্বত আৰু কাৰ্যকৰী সদস্য অনুপম নাথে উদ্দেশ্যে ব্যাখ্যা কৰা সভাখনত নাথ সাহিত্য আৰু সংস্কৃতিৰ দিশটোৰ উত্তৰণৰ ক্ষেত্ৰত এক বিস্তৃত আলোচনা কৰা হয়। হাবিবৰঙাবাৰী অঞ্চলৰ দুই শতাধিক পুৰুষ আৰু মহিলাৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাখনত নাথ সাহিত্য সংস্কৃতি সন্মিলনৰ প্ৰধান সম্পাদক জিতুমণি নাথ, উপদেষ্টা তথা অৱসৰপ্ৰাপ্ত অভিযন্তা বসন্ত কুমাৰ নাথ, কল্পতৰু চৌধুৰী, ধৰ্মকান্ত নাথ, যোগী ন্যাসৰ সভাপতি ডঃ কবিন চন্দ্ৰ নাথ, হাবিবৰঙাবাৰী আঞ্চলিক সমিতিৰ সভাপতি ধীৰেণ নাথ, পাঠ আচাৰ্য সূৰ্য নাথ, পল্লৱলোচন মজুমদাৰ, সুন্দৰ সিং নাথকে আদি কৰি ভালেকেইজন ব্যক্তিৰ উপস্থিতিত বক্তাসকলে নাথ সাহিত্য সমাৰোহৰখনি সফল কৰাৰ ক্ষেত্ৰত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰে। উক্ত সভাতেই অহা ডিচেম্বৰৰ ১৩ আৰু ১৪ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া নাথ সাহিত্য সমাৰোহখনি সুচাৰুৰূপে পৰিচালনা কৰিবলৈ চৰাইবাহী মহাবিদ্যালয়ৰ অধ্যাপক ডঃ বিজয় কুমাৰ নাথক সভাপতি, অঞ্চলটোৰ বিশিষ্ট সমাজকৰ্মী টনেশ্বৰ নাথ, ধীৰেন চন্দ্ৰ নাথক কাৰ্যকৰী সভাপতি, অঞ্চলটোৰ সৰবৰহী যুৱক অনুপম নাথক সাধাৰণ সম্পাদক, পংকজ লোচন মজুমদাৰ আৰু শৰৎ নাথক যুটীয়া সম্পাদক, সুন্দৰ চিং নাথক কাৰ্যালয় সম্পাদক হিচাপে লৈ উদযাপন সমিতিখন গঠন কৰা হয়।

# হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কামপুৰৰ পৰিচালনা সমিতিৰ সভা

**ই-সংবাদ, কামপুৰ, ২৭ অক্টোবৰঃ** আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰটোৰ আজি এখন সভা অনুষ্ঠিত হৈ যায়। কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ পৰিচালনা সমিতি কাৰ্যকৰী সভাপতি আৰু পৰীক্ষা কেন্দ্ৰটোৰ সভাপতি যতীন বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়খনৰ অধ্যক্ষ জয়ন্ত কুমাৰ গোস্বামীয়ে। কামপুৰ কেন্দ্ৰটোৰ বিদ্যালয়সমূহৰ শিক্ষক আৰু শিক্ষাপ্ৰেমী ৰাইজৰ উপস্থিতিত অনুষ্ঠিত সভাত অধ্যক্ষ জয়ন্ত কুমাৰ গোস্বামীয়ে আগন্তুক ২০২৫ বৰ্ষত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষা পৰিচালনাৰ বাবে নতুন সমিতি গঠন কৰাৰ লগতে পূৰ্বৰ সমিতিৰ আয়-ব্যয়ৰ হিচাপৰ খতিয়ান দাঙি ধৰে। সভাত কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে আগন্তুক পৰীক্ষা কেন্দ্ৰটোৰ পৰীক্ষা পৰিচালনাৰ বাবে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক সভাপতি আৰু বিদ্যালয়খনৰ অধ্যক্ষ জয়ন্ত কুমাৰ গোস্বামীক সম্পাদক হিচাপে লৈ সমিতিখন গঠন কৰা হয়। সভাত প্ৰধান শিক্ষক নৱ কুমাৰ দাস, মৃদুল লস্কৰ, অধ্যক্ষ ৰঞ্জন শৰ্মাকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

## চৰকাৰ তথা বন বিভাগক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে হাজোবাসীয়ে

# হাজোৰ ভিন্ন তীৰ্থস্থানত কপিকুলৰ সন্ত্ৰাসত ভীতিগ্ৰস্ত দৰ্শনাথী

**ই-সংবাদ, হাজো, ২৭ অক্টোবৰঃ** কামৰূপ জিলাৰ অন্তৰ্গত ঐতিহাসিক পঞ্চতীৰ্থ হাজোত কপিকুলৰ সন্ত্ৰাস। হাজোৰ লগতে ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে বান্দৰৰ উপদ্ৰৱ। বান্দৰৰ উপদ্ৰৱত ভীতিগ্ৰস্ত হ'বলগীয়া হৈছে স্থানীয় ৰাইজৰ লগতে তীৰ্থযাত্ৰীসকল। শ্ৰীশ্ৰী হয়গ্ৰীৱ মাধৱ মন্দিৰ, কেদাৰ মন্দিৰ, গণেশ মন্দিৰ, কামেশ্বৰ মন্দিৰ, কমলেশ্বৰ মন্দিৰতো এতিয়া কেবল বান্দৰৰ উপদ্ৰৱ। বান্দৰৰ উপদ্ৰৱত মন্দিৰলৈ শৰাই লৈ যাব নোৱাৰা অৱস্থা তীৰ্থযাত্ৰীৰ। মাজবাটতে আগুচি ধৰি যাত্ৰীৰ পৰা টানি লৈ যায় বুট-মগুৰ লগতে মন্দিৰলৈ অনা ফল-মূলৰ টোপোলা। হাতত লাঠী লৈ মন্দিৰৰ ভোগ গ্ৰহণ কৰিবলগীয়া অৱস্থা হয় তীৰ্থযাত্ৰীৰ। নিত্য-নৈমিত্তিক এই ঘটনাৰ মাজতে আজি বান্দৰৰ আক্ৰমণৰ বলি হয় হয়গ্ৰীৱ মাধৱ মন্দিৰৰ দলৈ শিৱ প্ৰসাদ শৰ্মা। দলৈগৰাকীক বান্দৰৰ দলে আগুচি ধৰি দেহৰ ভিন্ন অংশত কামুৰি পিন্ধি থকা কাপোৰ পৰ্যন্ত ফালি পেলায়। বান্দৰৰ এই ধাৰাবাহিক আক্ৰমণৰ পিছতে উদ্বেগ প্ৰকাশ কৰে হয়গ্ৰীৱ মাধৱ মন্দিৰ পৰিচালনা সমিতিৰ লগতে হাজোৰ স্থানীয় ৰাইজে। চৰকাৰ আৰু বন বিভাগক বান্দৰৰ উপদ্ৰৱ নিয়ন্ত্ৰণ কৰিবলৈ দাবী জনাইছে মন্দিৰ পৰিচালনা সমিতিৰ লগতে স্থানীয় ৰাইজে।

# পাভৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সমন্বয়ৰ দিন উদযাপনৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, বিশ্বনাথ, ২৭ অক্টোবৰঃ** বিশ্বনাথ জিলাৰ অসম অৰুণাচল সীমান্তবৰ্তীৰ পাভৈ ৰূপজ্যোতি কলা পৰিষদত পাভৈ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত পাভৈ পাঁচআলি শাখা ছাত্ৰ সন্থাৰ লগতে বৃহত্তৰ পাভৈবাসী ৰাইজৰ সহযোগত ভাৰতৰত্ন, অসম গৌৰৱ বিশ্ব বৰেণ্য শিল্পী সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ ত্ৰয়োদশ সংখ্যক মৃত্যু দিৱসটি অহা ৫ আৰু ৬ নৱেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে 'সমন্বয়ৰ দিন' হিচাপে অনুষ্ঠিত কৰা হ'ব। য'ত বিশ্ব বৰেণ্য শিল্পীগৰাকীৰ বিখ্যাত কালজয়ী গীতটি 'মানুহে মানুহৰ বাবে' বড়ো, গাৰো, কাৰ্বি, চাহ-জনজাতি, আদিবাসী, উড়িয়া, মুণ্ডা, চাওঁতালী, নেপালী, প্ৰজা, ভোজপুৰী আৰু বাংলা ভাষাত পৰিৱেশন কৰা হ'ব। সমন্বয়ৰ দিন উদযাপনৰ প্ৰথম কাৰ্যসূচী হিচাপে বৃহত্তৰ পাভৈবাসী ৰাইজৰ উপস্থিতিত সম্পূৰ্ণ মাংগলিক নীতি-নিয়মৰ মাজেৰে আজি লাইখুঁটা ভাগ স্থাপন কৰা হয়।
উক্ত অনুষ্ঠানত সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ সভাপতি মঃ আজমত শ্বেখ, বিশ্বনাথ মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সুশীল তাঁতী, জিলা ছাত্ৰ সন্থাৰ প্ৰচাৰ সম্পাদক সুনীল তাঁতী, বিশ্বনাথ জিলা চাওঁতাল ছাত্ৰ সন্থাৰ সভাপতি চম চৰেণ, উদযাপন সমিতিৰ সভাপতি ৰসেশ্বৰ খাউণ্ড, কাৰ্যকৰী সভাপতি ৰুদ্ৰ বৰা, সম্পাদক পদুম বাঢ়ৈ, বিশিষ্ট শিল্পী তথা সমাজকৰ্মী প্ৰদীপ খাউণ্ড, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সহঃ সম্পাদক দুলদুল বৰকটকী, পাভৈৰ বিশিষ্ট সমাজকৰ্মী নবীন দাস, সমাজকৰ্মী ৰুচি চৌধুৰী, ৰাজেন বৰা, নবীন খাউণ্ড, খিলেশ্বৰ বৰা, ৰাজেন দাস, সমাজসেৱিকা প্ৰবীণা বৰা, কিৰণ সন্দিকৈ, অণিমা শইকীয়া, পাভৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰহ্লাদ মিলি, ভাঃ সম্পাদক বিমল মুঢ়া লগতে পাভৈ আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া তথা মহিলা সমিতিৰ সদস্যা আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# কুসংস্কাৰ নিৰ্মূলৰ উদ্দেশ্যেৰে মৈৰাবাৰীৰ বৰচাপৰিত সজাগতা সভা

**ই সংবাদ, মৈৰাবাৰী, ২৭ অক্টোবৰঃ** বৃহত্তৰ মৈৰাবাৰী অঞ্চলত চলি থকা অবৈধ কুসংস্কাৰ নিৰ্মূলৰ উদ্দেশ্যে মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চলত জমীয়ত উলামা আৰু থানা গাঁওৰক্ষী বাহিনী কৰ্তৃপক্ষই বিভিন্ন ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। সমান্তৰালকৈ মৈৰাবাৰীৰ বিভিন্ন অঞ্চলতো প্ৰচলিত কুসংস্কাৰ যেনে- ড্ৰাগছ, ভাং, মদ, বাল্য বিবাহ, চাইবাৰ ক্ৰাইম, তিৰ খেল, জুৱা খেল আৰু অনান্য অবৈধ কৰ্মকাণ্ড নিৰ্মূলৰ বাবে লোৱা হৈছে বিভিন্ন ধৰণৰ কঠোৰ পদক্ষেপ। আজি মৈৰাবাৰী এলেকাৰ অন্তৰ্গত বৰচাপৰি গাঁৱত এখনি সজাগতা সভা অনুষ্ঠিত হৈ যায়। কুসংস্কাৰ নিৰ্মূলৰ উদ্দেশ্যে বৰচাপৰি গাঁও পঞ্চায়ত প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা সজাগতা সভাখনত সভাপতিত্ব কৰে ভেলৌগুৰি থানা গাঁওৰক্ষী বাহিনী উপদেষ্টা কমিটীৰ সভাপতি ছহিদুল ইছলামে। আনহাতে, আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে যুৱ নেতা তথা ৰাইজৰ দলৰ মুখপাত্ৰ মেহেবুব মুক্তাৰ, মৈৰাবাৰী মণ্ডল বিজেপিৰ সভাপতি চেলিম চৌধুৰী ওৰফে দিপু, সমাজ সেৱক জাহিৰুল ইছলাম মুক্তাৰ, ইজ্জত আলী, অধিবক্তা খাইৰুল ইছলাম, অৱসৰপ্ৰাপ্ত শিক্ষক ৰফিকুল ইছলাম, ভেলৌগুৰি আৰক্ষী থানাৰ উপ-পৰিদৰ্শক মুকুল শইকীয়া, বৰচাপৰি গাঁওৰক্ষী বাহিনীৰ সভাপতি মাজাহাৰুল ইছলাম, সম্পাদক আবু বাক্কাৰ ছিদ্দিককে আদি কৰি অঞ্চলটোৰ কেবা শতাধিক লোকৰ লগতে গণ্যমান্য ব্যক্তি।

# কঠিন হৈ পৰাৰ দিশে ভাৰতৰ পথ

**মুম্বাই, ২৭ অক্টোবৰঃ** বাংলাদেশৰ বিৰুদ্ধে শৃংখলাত জয়লাভ কৰি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত সুন্দৰ স্থান লাভ কৰিছিল ভাৰতীয় দলে। শ্ৰীলংকাৰ বিৰুদ্ধে পৰাস্ত হোৱা নিউজিলেণ্ডে ভাৰতক ঘৰৰ মাটিত পৰাস্ত কৰিব বুলি কোনেও ভবাই নাছিল। কিন্তু সেই নিউজিলেণ্ডৰ হাতত ঘৰৰ মাটিত লজ্জাজনক পৰাজয়ৰ পিছত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পথ ভাৰতৰ বাবে কঠিন হৈ পৰিছে। দ্বিতীয়খন টেষ্টত পৰাস্ত হোৱাৰ পাছত পইণ্ট তালিকাত দুৰ্বল হৈ পৰিছে। ভাৰতৰ মেচ বাকী আছে এখন নিউজিলেণ্ডৰ বিৰুদ্ধে আৰু ৫খন অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে। অষ্ট্ৰেলিয়াৰ শ্ৰীলংকাৰ বিৰুদ্ধে ২ খন আৰু ভাৰতৰ বিৰুদ্ধে ৫খন মেচ বাকী আছে। যদি ভাৰতে এখন টেষ্টত ড্ৰ খেলে আৰু পৰৱৰ্তী ৬ খন মেচৰ ৫ খনত জয়লাভ কৰে তেন্তে ভাৰতে ৭১.০৫ পইণ্টেৰে ফাইনেললৈ যাব। কিন্তু ফাইনেললৈ যোৱাৰ আশা জীয়াই ৰাখিবলৈ হ'লে ৬খন মেচৰ ভিতৰত অন্ততঃ ৪খন খেলত জয়ী হ'ব লাগিব।

# ৰাইদঙীয়াৰ তিনি শিশুৰ সাফল্য

**ই-সংবাদ, বেবেজীয়া, ২৭ অক্টোবৰঃ** ডিফুত যোৱা ২৩ অক্টোবৰৰ পৰা ২৬ অক্টোবৰলৈ অনুষ্ঠিত হোৱা অসম অলিম্পিক সন্থাৰ স্বীকৃতি প্ৰাপ্ত অসম ৰাজ্যিক কাৰাটে প্ৰতিযোগিতাত নগাঁও জিলাৰ ৰাইদঙীয়াৰ তিনিটি শিশু খেলুৱৈয়ে সফলতা লাভ কৰিবলৈ সক্ষম হয়। উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ৰাইদঙীয়া কাৰাটে ড' একাডেমীৰ অন্তৰ্গত ৰাইদঙীয়াৰ ৩ জন শিশু খেলুৱৈ ক্ৰমে ল'ৰাৰ ১৩ বছৰৰ ৪০ কেজিৰ তলৰ শাখাত মৃগাংগ বিকাশ বৰাই ব্ৰঞ্জ পদক, বিস্মিতা দেৱীয়ে ছোৱালীৰ ১০ বছৰৰ ২৫ কেজিৰ তলৰ শাখাত ব্ৰঞ্জ পদক আৰু হৰ্ষিতা কাশ্যপে ছোৱালীৰ ৮ বছৰৰ ২০ কেজিৰ তলৰ শাখাত ব্ৰঞ্জ পদকেৰে ৰাইডঙীয়াৰ লগতে নগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে, এই আটাইকেইগৰাকী খেলুৱৈয়ে চেনচেই ৰিকু কটকীৰ তত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰি আছে।



ৰাইদঙীয়াৰ পদক জয়ী তিনি শিশু




ভাৰতক দ্বিতীয় এদিনীয়াত ৭৬ ৰানত হৰুৱাই নিউজিলেণ্ড মহিলা ক্ৰিকেট দলৰ দুই ক্ৰিকেটাৰৰ উল্লাস, আহমেদাবাদত

## উজনিৰ কেবাখনো জিলাৰ ১২টা দলৰ সফল অংশগ্ৰহণ

# ডিব্ৰুগড়ত এদিনীয়া কাবাদীত চেম্পিয়ন মিংমাং

**ই-সংবাদ, ডিব্ৰুগড়, ২৭ অক্টোবৰঃ** ডিব্ৰুগড়ৰ দুৰৰাচুক-ৰূপনগৰ, চেতিয়াচুক অঞ্চলৰ ক্ৰীড়া আৰু সমাজ-সংস্কৃতিমূলক অনুষ্ঠান 'প্ৰগতি সংঘ'ৰ সৌজন্যত ২৫ অক্টোবৰত দিনজোৰা কাৰ্যসূচীৰে সংঘৰ খেলপথাৰত কাবাদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত ধেমাজি জিলাৰ মিংমাং বি দলে চেম্পিয়ন খিতাপ অৰ্জন কৰে। ৰাণাৰ্চ আপ খিতাপ অৰ্জন কৰে ডিব্ৰুগড় জিলাৰ নামৰূপ একাদশে। চেম্পিয়ন দলটিয়ে "পূণ্যপ্ৰভা গগৈ সোঁৱৰণী" ট্ৰফীসহ নগদ দহ হেজাৰ টকা প্ৰাইজমাণি লাভ কৰে। পৰিয়ালৰ হৈ পুৰস্কাৰটো প্ৰদান কৰে মনোজিৎ গগৈয়ে। আনহাতে ৰাণাৰ্চ আপ দলটিয়ে প্ৰয়াত "গোবিন দুৰৰা সোঁৱৰণী" ট্ৰফীসহ নগদ পাঁচ হেজাৰ টকা লাভ কৰে। ট্ৰফীটো প্ৰদান কৰে দাতা বিশ্বজিৎ দুৰৰাই। ট্ৰফীসহ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ অৰ্জন কৰে মিংমাং দলৰ অ'য়া পেগুৱে। পুৰস্কাৰটি প্ৰদান কৰে ৰূপনগৰ জাতীয় বিদ্যালয়ে। ফাইনেল খেলখনিৰ পূৰ্বে অতিথি হিচাপে আমন্ত্ৰিত স্থানীয় ৰজাভেটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া বিশ্বজিত নাথ আৰু জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাক খেলুৱৈসকলৰ স'তে চিনাকি কৰাই দিয়া হয়। সন্ধিয়া সাংস্কৃতিক কৰ্মী কৃপাল ফুকনে আঁতধৰা বঁটা বিতৰণী অনুষ্ঠানত ডিব্ৰুগড় জিলাৰ কাবাদী সন্থাৰ সম্পাদক সুৰজিৎ গগৈ, সংঘৰ সম্পাদক দিব্যজ্যোতি মহন, উপসভাপতি গিৰিবালা দেউৰী ভৰালী আৰু দীপক দুৰৰাকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সংঘৰ হৈ প্ৰিয়াংকী দুৰৰা আৰু ৰমনী গগৈৰ ব্যৱস্থাপনাত অনুষ্ঠিত খেলখনিত উজনি অসমৰ চৰাইদেউ, তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ মুঠ বাৰটা দলে অংশগ্ৰহণ কৰে। খেলসমূহ পৰিচালনা কৰে সংগ্ৰাম সন্দিকৈ আৰু গায়ত্ৰী দেউৰীয়ে। পুৱাৰ ভাগত সংঘৰ সভাপতি টুলু ফুকনে পতাকা উত্তোলনেৰে আৰম্ভ কৰা দিনজোৰা কাৰ্যসূচীত খেলখনিৰ উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী ডাঃ বিপিন্দ্ৰনাথ কাকতিয়ে। অনুষ্ঠানত এনআৰএলৰ জেনেৰেল মেনেজাৰ ঘণশ্যাম হাজৰিকা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ৰীড়া বিষয়া মণ্টু বড়ো, ডিব্ৰুগড় জিলা ক্ৰীড়া বিষয়া ছেমি শইকীয়া, শাৰীৰিক নিৰ্দেশক অনুজ বৰুৱা, প্ৰণামিকা বৰুৱাকে ধৰি সহস্ৰাধিক ক্ৰীড়াপ্ৰেমী উপস্থিত থাকে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়ৱদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)